# ৰঙিলীৰ নিৰ্বাচিত গল্প



মহেশ চন্দ্ৰ মেধি

# ৰঙিলীৰনিৰ্বাচিতগল্প

সম্পাদনাঃ

**মহেশ চন্দ্ৰ মেধি**

ড০ আম্বেদকাৰ বঁটা প্ৰাপ্ত সাংবাদিক

অদিতি প্ৰকাশন

গুৱাহাটী-২৫

"RONGILIR NIRBACHIT GALPA": -A collection of few number of short stories Edited by Mahesh Ch. Medhi, Editor of Rongili Barta, an Assamese Weekly & published by Mrs. Lily Medhi Asstt. Editor of Rongili Barta on behalf of Aditi Prakashan, Guwahati-25. Price Rs. 60.00 (Sixty) only.

---

প্ৰথম প্ৰকাশ : ২০ জুন ২০০৮

প্ৰকাশিকা - শ্ৰীমতী লিলি মেধি

সহ সম্পাদিকা

ৰঙিলী বাৰ্ত্তা, গুৱাহাটী-২৫

সৰ্বস্বত্ব সংৰক্ষিতঃ সম্পাদকৰ

মুদ্ৰকঃ উদ্দীপ্ত নয়ন মেধি

ঃঅদিতি ৰাণী মেধি

ছপাশালঃ মেধি এণ্টাৰপ্ৰাইজ

গুৱাহাটী-২৫

অৰিহণাঃ ৬০.০০ (ষাঠী) টকা মাত্ৰ

# অৰ্পণ



হাজোৰ বিশিষ্ট নাগৰিক প্ৰয়াত মহম্মদ বৰকটউল্লাদেৱৰ পবিত্ৰ সোঁৱৰণত এই গ্ৰন্থখনি অৰ্পণ কৰা হ'ল।

– মম

# অমৰ আত্মা

## মহম্মদ বৰকটউল্লাদেৱৰ সোঁৱৰণত

কামৰূপ জিলাৰ হাজোৰ্তে ১৯১৬ চনত মহম্মদ বৰকটউল্লাৰ জন্ম হয়। তেখেতৰ পিতৃৰ নাম মহম্মদ বাহাৰ আলী আৰু মাতৃৰ নাম আছিল চেনেহী। তেওঁৰ প্ৰাথমিক শিক্ষা আৰম্ভ হয় হাজোৰ ওচৰৰ দামপুৰ নামৰ গাঁৱত। তাৰ পিচত তেওঁ নলবাৰী গৰ্ডন স্কুলত চতুৰ্থ শ্ৰেণীত ভৰ্ত্তি হয় আৰু তাৰ পৰাই প্ৰথম বিভাগত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁৰ সৰু কালৰ পৰাই শিক্ষাৰ প্ৰতি অতি ধাউতি আছিল বাবে মেট্ৰিক পাচ কৰাৰ পাছত তেওঁক দেউতাকে কলিকতাৰ প্ৰেচিডেন্সি কলেজত নাম লগাই দিছিল। কিন্তু সেই সময়ত কলিকতাত হোৱা হিন্দু মুছলমান সংঘৰ্ষত তেওঁ হাতত আঘাত প্ৰাপ্ত হৈ কলিকতাৰ পৰা ঘূৰি আহিব লগাত পৰে আৰু তেওঁৰ উচ্চ শিক্ষাৰ তাতেই পৰিসমাপ্তি ঘটে।

কলিকতাৰ পৰা ঘূৰি অহাৰ পিছত তেওঁ নলবাৰী গৰ্ডন হাইস্কুলতে১৯৩৮ চনত শিক্ষক হিচাবে যোগদান কৰে। ইয়াৰ পিছত ১৯৩৯ চনত হাজোৰ ওচৰৰ শনিয়াদীত কেইজনমান গুণী ব্যক্তিৰ সহযোগত বি, এ, এছ হাই মাদ্ৰাছা স্থাপন কৰে আৰু সেইখন স্কুলৰ প্ৰধান শিক্ষক ৰূপে যোগদান কৰে। সেই স্কুলত কাম কৰি থকাৰ সময়তে তেওঁ ডাক বিভাগৰ কেৰাণী পদৰ বাবে নিৰ্বাচিত হয় আৰু ১৯৪০ চনত তেওঁ ডিব্ৰুগড়ত ডাক বিভাগত কেৰাণী হিচাবে যোগদান কৰে। ডিব্ৰুগড়ৰ পিছত তেওঁ ১৯৪২ চনলৈকে যোৰহাটত কাম কৰি ১৯৪৩ চনত নাজিৰাত যোগদান কৰে। নাজিৰাৰ পৰা দেৰগাঁওলৈ আহে আৰু তাতে তেওঁ তিনি মাহ কাম কৰে। দেৰগাঁৱৰ পৰা পুনৰ তেওঁ ডিব্ৰুগড় ডাকঘৰত যোগদান কৰে আৰু ১৯৪৪ চনলৈকে ডিব্ৰুগড়তে থাকে৷ ১৯৪৪ চনৰ পৰা ১৯৪৭ চনলৈকে তেওঁ শিৱসাগৰত কাম কৰে৷ ১৯৪৭চনৰ পৰা ১৯৪৯ চনলৈকে যোৰহাটৰ চিনামৰাত কাম কৰে। ইয়াৰ মাজতে তেওঁ হাজোৰ ওচৰৰ ৰামদিয়াৰ প্ৰখ্যাত কাজি পৰিয়ালৰ ছোৱালী মিচ দিলহাজাৰ বেগমৰ লগত বিবাহ পাশত আৱদ্ধ হয়। তেওঁ পাঁচজন পুত্ৰ আৰু তিনিজনী কন্যাৰ পিতৃত্বৰ গৌৰৱ অৰ্জন কৰিব পাৰিছিল । তেওঁলোকক সুশিক্ষাৰে শিক্ষিত কৰিছে আৰু আটাই কেইজনকে অসম চৰকাৰৰ একোগৰাকী নিষ্ঠাৱান কৰ্মী হিচাবে গঢ়ি তুলিব পাৰিছে৷ তেওঁৰে জ্যেষ্ঠ পুত্ৰ শ্ৰীযুত নুৰ মহম্মদ ডাঙৰীয়া বৰ্ত্তমান অসম চৰকাৰৰ এগৰাকী উচ্চ পদস্থ বিষয়া। তেওঁ অসম ঔদ্যোগিক আন্তঃগাঁঠনি উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক আৰু অসমৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ অতিৰিক্ত সঞ্চালক হিচাবে কাম কৰি আছে।

মহঃ বৰকটউল্লাহ ডাঙৰীয়াই ১৯৪৯ চনৰ পৰা ১৯৫৪ চনলৈকে যোৰহাটত কাম কৰাৰ পিছত গুৱাহাটীৰ মুখ্য ডাকঘৰলৈ বদলি হৈ আহে। ১৯৫৪ চনৰ পৰা ১৯৫৬ চনলৈ ফাঁচী বজাৰ পোষ্ট অফিছত কাম কৰে। তাৰপিছত ১৯৫৮ চনলৈকে চেনীকুঠিত থকা ডাক বিভাগৰ ষ্টোৰ বিভাগত কাম কৰে। চেনীকুঠিৰ পিছত তেওঁ নলবাৰীৰ ডাকবিভাগত সেৱা আগবঢ়ায়। নলবাৰীৰ পিছত গুৱাহাটীৰ মালিগাঁৱত ১৯৬৭ চনলৈকে কাম কৰে। মালিগাঁৱৰ পিছত তেওঁ ডেপুটি পোষ্ট মাষ্টৰ হিচাবে প্ৰমোচন লাভ কৰি গুৱাহাটীৰ মুখ্য ডাকঘৰত জইন কৰে। তাত তেওঁ ১৯৬৭ চনৰ পৰা ১৯৬৯ চনলৈকে সেৱা আগবঢ়ায়। ১৯৭৪ চনলৈকে তাতে কাম কৰি পুনৰ তেওঁ চেনীকুঠিলৈ আহে। তাৰ পিছত উত্তৰ পূৱ সীমান্ত ৰেলৱেৰ মুখ্য ডাকঘৰত পোষ্ট মাষ্টৰ হিচাবে কাম কৰি ১৯৭৭ চনত তেওঁ তাৰ পৰা অৱসৰ গ্ৰহণ কৰে। চাকৰিৰ পৰা অৱসৰ পোৱাৰ পিছত তেওঁ মক্কালৈ গৈ হজ সম্পন্ন কৰি 'হাজি' হৈছিল।

কত চাকৰিৰ কালতে তেওঁ সৰ্বভাৰতীয় পোষ্টেল ইউনিয়নৰ কাৰ্যনিৰ্বাহক সদস্য হিচাবেও নিৰ্বাচিত হৈছিল। হাজোৰ নিচিনা এখন সৰু ঠাইৰ পৰা সেই সময়তে অখিল ভাৰতীয় শ্ৰমিক সংগঠন এটাৰ কাৰ্যনিৰ্বাহক সদস্যৰ দায়িত্ব ভাৰ পোৱাতো কম কথা নহয়। ইয়াৰ পৰাই বুজিব পাৰি মহঃ বৰকটউল্লাহ ডাঙৰীয়াৰ কৰ্মনিষ্ঠা আৰু যোগ্যতাৰ কথা। সেইসময় ছোৱাতে তেওঁ ভাৰতৰ বিভিন্ন ঠাই চোৱাৰ সুবিধা লাভ কৰিছিল বাবেই মনৰ দিগন্ত আছিল সুদুৰপ্ৰসাৰি। বিশাল হৃদয়ৰ অধিকাৰী। বহল জগতখন দেখা শুনা আৰু সৎ মাৰ্গদৰ্শনৰ বাবেই হবলা তেওঁৰ আটাইকেইজন ল'ৰা ছোৱালীয়ে উচ্চ শিক্ষাৰে শিক্ষিত হৈ চৰকাৰৰ উচ্চ পদধী লাভ কৰি দেশৰ সেৱাত নিয়োজিত হব পাৰিছে বুলি ক'লে নিশ্চয় ভুল কোৱা নহ'ব।

মহঃ বৰকটউল্লাহদেৱ এজন অতি ধাৰ্ম্মিক প্ৰকৃতিৰ গুণী আৰু সৎ ব্যক্তি আছিল। চাকৰি জীৱনত তেওঁ অসমৰ ইমুৰৰ পৰা সিমুৰলৈ গৈ কাম কৰিছিল আৰু সকলোৰে প্ৰিয়পাত্ৰ আছিল। অৱসৰৰ পিছত ১৯৯৮ চনৰ জুন মাহত ৮২ বছৰ বয়সত তেওঁ ইহলীলা সম্বৰণ কৰে। তেওঁৰ মৃত্যুত হাজো অঞ্চলৰ ৰাইজে এজন সমাজ সংস্কাৰকক হেৰুৱালে।

সৎকৰ্মই মানুহক অমৰ কৰি ৰাখে। সেয়েহে মহঃ বৰকটউল্লাহ ডাঙৰীয়াকো তেওঁৰ সৎ কৰ্মৰ বাবে আজিও সকলোৱে শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। এইজনা মহান ব্যক্তিৰ পবিত্ৰ সোঁৱৰণত "ৰঙিলীৰ নিৰ্বাচিত গল্প" পুথিখন অৰ্পণ কৰা হ'ল। ওঁম শান্তি ! ওঁম শান্তি !! ওঁম শান্তি!!!

**মম**

ফটাশিল মানপাৰা

গুৱাহাটী-২৫

## সূচী পত্ৰঃ


| | |
|---|---|
| · নিৰ্যাতন | -ব্ৰজেন দাস |
| · ব্যতিক্ৰম | -নিজৰা ডেকা |
| · আই লাভ ইউ | -ভাস্বতী কলিতা |
| · মই চুৰ কৰা নাই | -হৰেন্দ্ৰ নাথ দত্ত |
| · প্ৰতিমাৰ প্ৰাণ | -গণেশ চন্দ্ৰ বৰ্মন |
| · ৰহস্য | -হোমেন মেধি |
| · ভোগালী ধামাকা | -লক্ষেশ্বৰ ডেকা |
| · কেঁহুৰামৰ হুঁচৰি জোৰা | -নিত্যানন্দ বৰগোঁহাই |
| · এটা অপাৰেচনৰ অন্তত | -গীতামণি ডেকা |

# জপনামুখতে

আমি ৰঙিলী বাৰ্ত্তাত সদায় নতুন নতুন লেখকক লেখাৰ বাবে আগস্থান দি আহিছো। বিগত চৈধ্য বছৰত আমি ৰঙিলী বাৰ্ত্তাৰ দ্বাৰা বহুতো নতুন নতুন লেখক-লেখিকা উলিয়াবলৈ সমৰ্থ হৈছো। নতুন পুৰুষৰ মাজত সাহিত্য চৰ্চাৰ জাগৰণ কৰাৰ প্ৰয়াসেৰে সদৌ অসম ভিত্তিত গল্প প্ৰতিযোগিতাৰো আয়োজন কৰি বঁটা প্ৰদান কৰা হৈছে। এই কিতাপখনত ৰঙিলী বাৰ্তাৰ কেইজনমান লেখকৰ গল্প নিৰ্বাচন কৰি কিতাপ আকাৰত থুপাই ৰাখিলো ।

ছপাশালৰ ভুতটোৱে সদায় প্ৰুফ চাওঁতে চকুত ধূলি মাৰে। গতিকে প্ৰুফ চাওঁতে কিবা ভুল থাকিব পাৰে তাৰ বাবে ক্ষমা কৰে যেন। লগতে এই গল্প কেইটাৰ লেখক টেলিকম বিভাগৰ অৱসৰ প্ৰাপ্ত গাণনিক বিষয়া শ্ৰীযুত ব্ৰজেন দাস, ধীৰ্ণেপাৰা গুৱাহাটী, প্ৰাক্তন কাউঞ্চিলৰ বাইদেউ শ্ৰীযুতা নিজৰা ডেকা, কুমাৰপাৰা গুৱাহাটী, নবৌ-শ্ৰীযুতা ভাস্বতী কলিতা, হাতীগাঁও-গুৱাহাটী, অধিবক্তা শ্ৰীযুত হৰেন্দ্ৰ নাথ দত্ত, আমবাৰী গুৱাহাটী, শ্ৰীযুত গণেশ বৰ্মন,আমবাৰী-গুৱাহাটী, ভাতৃপ্ৰতিম সাংবাদিক শ্ৰীমান হোমেন মেধি, নহিৰা বিজয় নগৰ, বন্ধুবৰ চিন্তামণি শ্ৰীলক্ষেশ্বৰ ডেকা, গণেশপাৰা গুৱাহাটী, অৱসৰপ্ৰাপ্ত কোঃ অঃ ইঃ বেংকৰ পৰিচালন সঞ্চালক বিশিষ্ট লেখক শ্ৰীযুত নিত্যানন্দ বৰগোঁহাই, মানপাৰা গুৱাহাটী আৰু বৰ্মাৰ গীতামণি ডেকা লৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। ইয়াত নগৰাকী লেখ-লেখিকাৰ গল্পক স্থান দিয়া হৈছে। এই নব ৰত্নৰ লেখাখিনিক ৰাইজে আদৰি ললে আমাৰ কষ্টৰ সাৰ্থক হোৱা বুলি ভাবিম! সদৌ শেষত ভুল ক্ৰুটিৰ বাবে ক্ষমা মাগিলো।

মহেশ চন্দ্ৰ মেধি

সম্পাদক, ৰঙিলী বাৰ্তা

গুৱাহাটী-২৫

দিনাংক: ১ জুন ২০০৮

# নিৰ্যাতন

দেওঁবাৰ। অফিচ চুটিৰ দিন । ৰাতিপুৱা এনেয়ে এপাক ঘূৰি আহো বুলি ৰাস্তাৰ বুকুত খোজ পেলালো । ৰাস্তাৰ দাঁতিতে মদন বৰুৱাৰ ঘৰ । তেওঁৰ ঘৰৰ পদূলিমুখত মই ক্ষন্তেক থমকি ৰলোঁ । মদনক দেখা পাম বুলি ভাৰি গলটো বেকাকৈ চালো । দেখিলো বাৰান্দাৰ একোণত মদনে মন মাৰি বহি আছে । মই হাঁহি এটি মাৰি সুধিলো-"আৰে বন্ধু, দিল্লীৰ পৰা কেতিয়া আহিলা ?”

: “কালি।” চুটিকৈ উত্তৰ দিলে মদনে । তেওঁৰ মাতত জড়তা। মদন মোৰ একেটা অফিচৰে সহকৰ্মী-বন্ধু। কলেজতো দুয়ো একেলগে পঢ়িছিলো। বহিছিলো একেখন বেঞ্চতে। কথা পাতিছিলো। ফুৰিছিলো । তেতিয়া আছিল আমাৰ মনত অসীম আনন্দ,অলেখ কল্পনা, অদম্য হেপাহ । সোণালী সপোন ৰচাৰ সময় তেতিয়া । আশা আছিল ডাঙৰ কিবা এটি হোৱাৰ, কিবা এটি কৰাৰ। কিন্তু কলেজীয়া শিক্ষা সামৰি দুয়ো সোমাই পৰিলো টেলিকম বিভাগৰ চাকৰিত।

বন্ধু মদনৰ অসুখ । অসুখ বুলি আজি ছমাহমান আগতেই মোক কৈছিল৷ কিন্তু কি অসুখ ধৰিব পৰা নাছিলো । খুলি নকয় । হঠাতে সিদিনা দিল্লীলৈ যাম বুলি কোৱাতহে মোৰ সন্দেহ উপজিল বন্ধুৰ কিবা ডাঙৰ অসুখেই হ'ল নেকি? দিল্লীৰ ‘এপল’ হস্পিতালত তিনিমাহ কটাই কালিহে ঘৰলৈ ঘূৰি আহিছে। বন্ধু সশৰীৰে ঘূৰি আহি ঘৰৰ বাৰান্দাৰ চুকটোতে বহি থকা দেখি ধেমালিতে ক'লো -“ মই ভাৱিছিলো দিল্লীৰ পৰা একেবাৰে উধাও হবা । পিছে বন্ধু, চিত্ৰগুপ্তৰ খাটাটো ভালদৰে মেইন্‌টেইন কৰিছেটো? তোমাৰ নামটো আগত পৰা নাইতো?” অসুখ বিসুখ হ'লে আমি সাধাৰণতে এনেদৰে ধেমালি কৰোৱেই। এনে ধেমালি চিধা অৰ্থত যদিও শ্ৰুতিকটু তথাপি এনে ধেমালিৰ পৰা বন্ধু-বান্ধৱৰ মনত এক ৰসৰ সৃষ্টি হয় আৰু ৰসিকতাই অসুস্থ ব্যক্তিৰ মনতো আনন্দৰ খোৰাক যোগাব পাৰে আৰু কিছু পৰিমাণে সুস্থ কৰি তুলিব পাৰে । আমি জানো যে মৃত্যুৰ নিচিনা নিষ্‌ঠুৰ সত্যৰ পৰা কোনেও হাত সাৰিব নোৱাৰে । কিন্তু সেই বুলি ইমান সোনকালে এই নিষ্‌ঠুৰ সত্য কাৰোবাৰ জীৱনত ঘটিব বুলি আমি ভাৱিব নোৱাৰো। বাঞ্ছা নকৰো। কাৰণ আমি সকলোৱে আশাবাদী। আশাময় সংসাৰখনৰ পৰা ইমান সোনকালে বিদায় লোৱাৰ কথা চিন্তা কৰা নাযায়।

এটা সেঁতা হাঁহি মাৰি মদনে উত্তৰ দিলে । “মোৰ এই সংসাৰত আৰু জীয়াই থাকিবলৈ ইচ্ছা নাই বন্ধু ! চিত্ৰগুপ্তক খাতিছো যাতে কামটো সোনকালে কৰি পেলায়।” দুয়ো হাঁহিলো।

মই তাত বেছি সময় নৰলো । বেগাবেগিকৈ বজাৰ অভিমুখে ৰাওনা হ'লো । বজাৰৰ পৰা সামান্য বস্তু কেইপদমান লৈ ঘৰলৈ উভতিলো । ঘৰ পায়েই হাত-ভৰি ধুই বাৰান্দাৰ এচুকত চকীখন টানি লৈ বহি পৰিলো । কিয় জানো বাৰে বাৰে মনলৈ বন্ধুৰ কথাবোৰেই বাজি উঠিল.......... “জীয়াই থাকিবলৈ ইচ্ছা নাই”......। বন্ধুৰ বাৰু কি অসুখ হ'ল ? এয়া শৰীৰৰ অসুখ নে মনৰ অসুখ ? বেচেৰা মদন মানুহজন !! বিয়া হোৱা দিন ধৰি মদনৰ মুখৰ হাঁহি প্ৰায় লোপ পাই গৈছিল। অবিবাহিত ডেকা অৱস্থাত আমাৰ মনৰ অনুভূতিবোৰ বৰ খোলাভাৱে প্ৰকাশ কৰা হৈছিল । কিন্তু বিয়াৰ পিছৰ পৰাই বন্ধুৰ হঠাৎ পৰিৱৰ্তন লক্ষ্য কৰিছিলো । বন্ধুই আগৰদৰে কথাবোৰ খোলাভাৱে নকয়। নকলেও মই জানো বন্ধু নিশ্চয় ঘৈণীয়েকক লৈ সুখী হব পৰা নাছিল।

আমি নাৰী নিৰ্যাতনৰ বিষয়ে বৰ বহল ভাৱে কাকতে পত্ৰই পঢ়িবলৈ পাও। কিন্তু নাৰীৰ সমানে যে পুৰুষো নিৰ্যাতিত হব পাৰে বা হৈ আছে সেই কথা কোনো কাকততে প্ৰকাশ নাপায়। পুৰুষ কেতিয়াও নাৰীৰ দ্বাৰা নিৰ্যাতিত হব নোৱাৰে এই ভাৱতে আমি সকলোৱে চুপ হৈ থাকো। কিন্তু নিৰ্যাতন বুলিলে 'কেৱল পুৰুষে নাৰীক অত্যাচাৰ কৰি প্ৰাণ নাশ কৰা কথাকেই নুবুজায়। পুৰুষেও নাৰীৰ পৰা সমানে নিৰ্যাতিত হবলগীয়া হয়। এই নিৰ্যাতন শাৰীৰিক ভাৱে নহৈ মানসিক ভাৱেওতো হব পাৰে। বহুতো পুৰুষ বিবাহিতা পত্নীৰ পৰা মানসিক কষ্ট ভোগ কৰি বলিয়া হৈ যোৱাও দেখা পোৱা যায়। বিবাহিতা স্ত্ৰী গৰাকী যদি স্বামীৰ ঘৰখনক আপোনভাৱে লব নোৱাৰে,মাক-দেউতাকৰ ঘৰখনতে বা তেনেভাৱে চলি অহা পৰিৱেশত থাকিব বিচাৰে তেনেবোৰ বহুতো কাৰণতে স্ত্ৰী-পুৰুষৰ মনোমালিন্য ঘটে। তাতেই সৃষ্টি হয় সংঘাতৰ। বহুতো পুৰুষে আশ্ৰয় লয় মদ-জুৱা-কাণী ইত্যাদিৰ। সৃষ্টি হয এক বিভিষীকাৰ। ঘৰৰ লক্ষ্মী তিৰোতা এগৰাকীয়ে নিজৰ স্বামীক একো একোজন মহান ব্যক্তিত পৰিণত কৰিব পাৰে, তাৰ বিপৰীতে চোৰ ডকাইতো সজাব পাৰে। মোৰ বন্ধু কিন্তু চোৰ ডকাইত একো নহ' ল, উদাসীন ব্যক্তি- এক ব্যথিত পুৰুষ।

মনত পৰে বন্ধুৰ বিয়াখনৰ কথা। বিয়াখন ঠিক সময়তে বৰ ধূমধামেৰে পাৰ হৈ গৈছিল। নিমন্ত্ৰিত অতিথিৰে লোকাৰণ্য হৈ পৰিছিল। মাছ মঙহ লগতে নানা তৰহৰ ব্যঞ্জন আদিৰে আপ্যায়িত কৰিছিল নিমন্ত্ৰিত ব্যক্তিক। সকলো বস্তুৰ উভৈনদী। হবই। বিয়াও পাতিছিল স্থানীয় এম্ এল এ ডাঙৰীয়াৰ সম্পৰ্কীয় এজনী ছোৱালীৰ লগত। নাম ৰূপালী। বন্ধুৰ ঘৰখনো বৰ চহকী। তেওঁৰ দেউতাক এজন বৰ আঢ্যৱন্ত পুৰুষ। ধনৰ অভাৱ নাই। দুটা দঁতাল হাতী, এটা প্ৰকাণ্ড মহৰ খুঁটি, খিৰতি গাইৰ পাল, বিস্তীৰ্ণ খেতি পথাৰ। এনে ধনমান লোকৰ পুতেকৰ বাবে বিয়াৰ বজাৰত কইনাৰ আকাল নাই। সেয়েহে এম এল এ ডাঙৰীয়াৰ সম্পৰ্কীয় ছোৱালী ৰূপালীক মদনলৈ অতি আগ্ৰহেৰে বিয়া দিছিল। ৰূপালী সঁচাকৈয়ে ৰূপৱতী আছিল। বতাহত পখিলা উৰা দি বোলে উৰিছিল এইজনী ৰূপালী। কথাই কথাই আধুনিকতাৰ চাপ। যদিও গাঁৱৰ ছোৱালী- চহৰৰ আধুনিকতাৰ বেশখিনি কোনপিনে সৰকি গৈ তাইৰ গাত লাগিছিল গৈ গাঁৱৰ আন ছোৱালীবোৰে ধৰিবই নোৱাৰিলে। এইজনী বাংঢালী ৰূপৱতী ৰূপালীৰ বিয়া হ' ল। মুকলি পৰিৱেশৰ পৰা এখন ঘৰৰ বোৱাৰী হৈ সীমিত পৰিৱেশৰ মাজত নিৰ্দ্দিষ্ট ৰীতি-নীতিৰ ভিতৰত আৱদ্ধ হ' ল। কিন্তু ৰূপালী পৰিৱৰ্ত্তন নহ' ল। বিয়াৰ পিছদিনা ৰূপালীয়ে যিটোহে চং দেখুৱালে গাঁৱৰ মানুহ হতবাক হ' ল। আন আন নকইনাৰ দৰে মূৰত ওৰণী লৈ এখোজ দুখোজকৈ (কইনা বুলনি)খোজ দিবলৈ অস্বীকাৰ কৰি তাই নিজৰ খেয়াল খুচি মতে বিচৰণ কৰিব ধৰিলে। গাঁৱৰ বয়সীয়াল লোকক সেৱা ল' বলৈ দিওঁতে তাই কেৱল তেওঁলোকক নমস্কাৰহে জনালে। শহুৰ শাহুৱেকক আঠু লৈ সেৱাও নজনালে। এনে কাণ্ড কাৰখানা দেখিও এম্ এল এ ডাঙৰীয়াৰ সম্পৰ্কীয় বুলি সকলোৱে মনে মনে ৰ'ল।

এসপ্তাহৰ পিছতেই ৰূপালী গিৰিয়েকৰ সৈতে গুৱাহাটীলৈ আহিল। মদনৰ গুৱাহাটীত এটা আসাম টাইপৰ ঘৰ আছিল। এই মাটি আৰু ঘৰ মদনৰ কাৰণেই বাপেকে মজুত ৰাখিছিল। অসমৰ ৰাজধানী শিলঙৰ পৰা গুৱাহাটীলৈ স্থানান্তৰ হোৱা সময়তেই মদনৰ বাপেকে এই মাটি ডোৰা পানী পানী ভাওত কিনি ৰাখিছিল। এতিয়া ই ৰাজধানীৰ একেবাৰে হাৰ্টত মানে মাজ মজিয়াত। গুৱাহাটীৰ মাজ-মজিয়াত এনে পুৰণিকলীয়া আসাম টাইপৰ ঘৰ ৰূপালীৰ একেবাৰে পছন্দ নালাগিল। এটা পকী দালান বনাবৰ বাবে মদনক তাগিদা দিলে৷ মদনে বাপেকক কৈ ঘৰ বন্ধাৰ বাবে টকাৰ শকত অংশ এটা লৈ আহিল। কিন্তু সমস্যা হ'ল বালি, চিমেন্ট, লোহাৰ ঘৰ সজাবলৈ সেই সময়ত চিমেন্টৰ দুৰ্ঘোৰ নাটনি আছিল। ঘৰ মেৰামতিৰ কাৰণেও এবেগ চিমেন্টৰ কাৰণে সৰ্বসাধাৰণে হাঁহাকাৰ কৰি ফুৰিবলগীয়া হৈছিল। কিন্তু সেয়া জনসাধাৰণৰ কাৰণহে। মদনৰ বাবে একো সমস্যাই নহ'ল এম্ এল এ ডাঙৰীয়াৰ দীঘল হাতৰ যাদুকৰী

শক্তিৰ এৰাতিৰ ভিতৰতে চেৰাপুঞ্জীৰ পৰা এক ট্ৰাক আহি মদনৰ চোতাল ভৰি পৰিল । ভাল এজন আৰ্কিটেকৰ হতুৱাই নকসা আদিৰে প্লেন্ ইস্তিমেট্ বনালে । কিছুদিনৰ পিছতেই মদনৰ মাটিত সু-উচ্চ অট্টালিকা জিলিকি উঠিল । মদন আৰু ৰূপালী নতুন দালানত থাকিবলৈ ল'লে । ইতিমধ্যে তেওঁলোকৰ সংসাৰলৈ এটি কন্যা সন্তান আহিল ।

সন্তান জন্ম দি সেই সন্তানক তুলি-তালি ডাঙৰ দীঘল কৰা প্ৰতিগৰাকী মাতৃৰেই পবিত্ৰ কৰ্ত্তব্য । কিন্তু ৰূপালীৰ বাবে সেইটো নহয় । কন্যাটিৰ পৰিচৰ্য্যাৰ ভাৰ দিলে এজনী আয়াৰ হাতত। আয়াজনী কেতিয়াবা চুটিত গ'লে মদনেই কৰিব লাগে গোটেই খিনি । সন্তানৰ মল-মূত্ৰ পৰিস্কাৰ কৰা, কাপোৰ-কানি ধূই দিয়া আটাইবোৰ কাম মদনেই কৰে । ৰাতিপুৱা দেৰিকৈ শুই উঠা অভ্যাস ৰূপালীৰ আগৰ পৰাই । বিয়াৰ পিছতো গুৱাহাটীৰ বাসিন্দা হৈ এই অভ্যাস চিৰাচৰিত ৰীতিত পৰিণত হ'ল । ৰাতিপুৱা ন বজাৰ আগতে ৰূপালীৰ টোপনি কেতিয়াও নেভাঙে। ইফালে ৰাতিপুৱা পাঁচ বজাতে উঠি মদনে হামিয়াই হেকেটিয়াই থকাৰ অন্তত নিজেই একাপ চাহ বনাই খায়। লগতে ৰূপালীলৈও একাপ সাজি ৰাখে । প্ৰথম অৱস্থাত মদনৰ এনে অসহায় অৱস্থাৰ কথা মোৰ আগত খুলি কৈছিল। গুৱাহাটীলৈ অহা কিছুদিন পিছতেই বাপেকে পুতেক বোৱাৰীলৈকে মহৰ গাখীৰৰ এঠা দৈ পঠিয়াইছিল। লগতে কোমল চাউল আৰু কুঁহিয়াৰৰ মিঠাইয়ো । ৰূপালীয়ে এইবোৰৰ একোকে স্পৰ্শ নকৰিলে । এইবোৰ খালে হেনো তাইৰ পেট বেয়া হয় । কিন্তু বজাৰত পোৱা সস্তিয়া “মিষ্টি দৈ”বোৰ নৰেনৰ হতুৱাই আনি সদায় খায় । নৰেন ৰূপালীহতৰ গাঁৱৰে ল'ৰা। দূৰ সম্পৰ্কীয় খুৰাকৰ ল'ৰা। বয়সত ৰূপালীতকৈ এবছৰৰ সৰু হ'ব। এওঁ যৌতুকত দিয়া ৰূপালীৰ হাত ধৰা লিগিৰা। গুৱাহাটীলৈ আহি এওঁলোক স্বাধীনভাৱে ঘূৰি ফুৰিব পৰা হ'ল । ইচ্ছা হ'লেই ৰূপালীয়ে নৰেনৰ লগত ফুৰিবলৈ যায় । চিনেমা, থিয়েটাৰ আদি চাই মাৰ্কেটিং কৰে । এইবোৰ কৰিবলৈ মদনৰ অনুমতি নালাগে । মদনক সুধিবৰ বা মদনৰ বাবে ৰৈ থকাৰো প্ৰয়োজন বোধ নকৰে। অফিচত থকা সময়ত মদনে নেজানে ৰূপালীয়ে ঘৰখনত কি কৰে । কিন্তু অফিচ চুটিৰ পিছত যেতিয়া মদন ঘৰ সোমাইহি, তেতিয়া দেখে ৰূপালীয়ে নৰেনৰ লগত খেলাত ব্যস্ত । বেছিভাগ সময় তেওঁলোকে টি ভি, ভিদিও আদি চাইয়ে কটায় । মাজে মাজে নানা ধৰণৰ খেল-খেলি হাঁহি ধেমালিৰে সময়বোৰ কটায় দিয়ে। মদনক চাহ একাপ দিবলৈ যেন ৰূপালীৰ কৰ্ত্তব্যই নহয়। বেচেৰা মদনে নিজেই অলপ চাহ বনাই খায় । এনেকৈয়ে পাৰ হৈ যায় দিন। দিনৰ পিছত ৰাতি । মদনৰ বাবে অসাৰ অসাৰ লাগে। ইতিমধ্যে তেওঁলোকৰ সন্তানটি তিনি বছৰত ভৰি দিলে । মাত কথা দিব পৰা হ'ল। বাপেকৰ আব্দাৰ কৰিব পৰা হ'ল । কিন্তু মাকে তাইক লগত নাৰাখি থলেগৈ মোমায়েকৰ ঘৰত আৰু নিজে স্বাধীনভাৱে ঘূৰি ফুৰিব ধৰিলে ।

এদিন হঠাতে অফিচত মদনৰ তীব্ৰকপে জ্বৰ উঠিল । অফিচৰ পৰা ছুটী লৈ সোনকালে ঘৰ আহি পালেহি। ঘৰ পাই দেখে ৰূপালী চিনেমা চাবলৈ সাজি-কাচি ওলাইছে । লগত নৰেণ আৰু এজন নতুন পুৰুষ । কোন বা সেইজন! মদনৰ বুজিবলৈ টান হ'ল । একাষাৰ কথা কবলৈও সুবিধা নাপালে । ৰূপালী মদনৰ সমুখেৰে ভো-ভোৱাই ওলাই গ'ল । উপায়বিহীন হৈ মদনে পোনেই বিছনাত বাগৰি পৰিল । বৰ কষ্টেৰে লেপখন গাত জাপি লৈ শুই থাকিল। জুলাই মহীয়া গৰমতো মদনৰ ইমান ঠাণ্ডা কেনেকৈ লাগিল । ঠাণ্ডাতে থৰ্ থৰ্কৈ কপিব ধৰিলে । তেনেকৈয়ে এটা সময়ত মদনৰ টোপনি আহিল ।

ৰাতি দহ বজাৰ চিনেমা চাই ঘৰলৈ আহি তেতিয়া দেখিলে মদনে ভাত পানী নোখোৱাকৈ শুই আছে তেতিয়া ৰূপালীয়ে মদনক পাৰে মানে তিৰস্কাৰ কৰিলে। মদনে সেহাই সেহাই জ্বৰ উঠাৰ কথা বুজাব খুজিলে । কিন্তু ৰূপালী নাছোড়বান্দা- নেমানিলে । ক'লে– “ তুমি ফাকিবাজ, মতলবী। মই চিনেমা

চাবলৈ যোৱাৰ বাবে তোমাৰ ঈৰ্ষা হৈছে । মোৰ আনন্দ তোমাৰ সহ্য হোৱা নাই। ” মদন চুপ হৈ ৰ'ল । সি অনুভৱ কৰিছে তাৰ যেন অণ্ঠ কণ্ঠ শুকাই গৈছে। তাক পানী লাগে। নৰেণক ক'লে-“নৰেণ, অলপ পানী দিয়া।” পিচে নৰেণে মদনৰ কথালৈ ভ্ৰুক্ষেপেই নকৰিলে। হাঁহি ধেমালিত ব্যস্ত হৈ পৰিল ৰূপালীৰ লগত । নতুন কৈ কিনি অনা ইংৰাজী চিদিখন প্লেয়াৰত দি গোটেই ঘৰ মুখৰিত কৰি পেলালে । মদন তেনেকৈয়ে পৰি থাকিল । জীৱনত যিয়ে যিমান জীয়াতু ভুগিবলগীয়া থাকে- সি সিমান ভুগিবই।

পষেক দিনৰ অন্তত মদনে গা কিছু ভাল পালে । নিয়ম মতে অফিচ কৰিলে । কিন্তু তাৰ মনটো একেবাৰে মৰহি গৈছে । ইফালে ঘৈণীয়েকৰ পৰা পোৱা অৱহেলা, আনফালে নিজৰ সন্তানক ওচৰত নোপোৱাৰ বেদনা-কেনেকৈ সহ্য কৰে মদনে ? ঘৈণীয়েক ৰূপালী আজি কালি বিমান শৰ্মাৰ লগত ফুৰিবলৈ যায় । দামী দামী মাৰ্কেটত স্বপিং কৰে । পাৰ্কত বহে । হাঁহি ধেমালিৰে দিন অতিবাহিত কৰে ।

বিমান শৰ্মা বেঙ্কৰ মেনেজাৰ। চফল ডেকা । সিদিনা দেখা পোৱা ডেকাই জনে বিমান শৰ্মা । তজবজীয়া, গাত আধুনিকতাৰ চাপ মাৰা । টকা আছে । বংশ গৌৰৱ আছে । লগত সদায় এখন মেটেলিক কলাৰৰ মাৰুতি কাৰ থাকেই। এনে এজন ডেকাৰ লগত বিবাহিত স্ত্ৰী ঘূৰি ফুৰিব নেলাগে । কিন্তু এই কথা মদনে ৰূপালীক বুজাব কেনেকৈ ? তথাপি এদিন বুকুত সাহস গোটাই ঘৈণীয়েকক ক'লে – “এয়া বেয়া কথা । লোকে ভাল চকুৰে চোৱা নাই ।” মদনে কবলৈহে প'লে – কোব খোৱা সৰ্পিনীৰ দৰে ৰূপালী ফেট দি উঠিল । উত্তৰ দিলে – মানুহে কোৱা কথালৈ মই কেৰেপ নকৰো । এয়া মোৰ স্বাধীনতা। মোৰ স্বাধীনতাত হস্তক্ষেপ কৰাৰ কাৰো অধিকাৰ নাই ।” --এইবোৰ কাৰণতে মদন চিন্তাত জৰ্জৰিত হৈ পৰিছিল । বিষাদত বুকু ভাঙি কান্দিছিল অকলে। ভাত পানী সময়মতে নেখাইছিল, খাব পোৱা নাছিল। বেমাৰৰ চিকিৎসাও আছিল অনিয়মীয়া। বোধকৰো এইবোৰ কাৰণতে বন্ধুৰ এই ডাঙৰ অসুখটো হবলৈ পালে! কিছুদিন ছুটী লৈ বহি থাকিল ।

মাজতে ডেৰটা মাহ পাৰ হৈ গ'ল । অফিচৰ কামত এইকেইদিন বৰ ব্যস্ত থাকিবলগীয়া হোৱা বাবে মদনৰ খবৰ পোৱা নাই । তাৰ ছুটী শেষ হৈ আহিছে। দুদিনমান পিছতে সি কামত জইন কৰিব । অফিচত লগ পালে তাৰ মুখৰ পৰাই ঘৈণীয়েক সম্পৰ্কে আৰু কিছু কথা শুনিবলৈ পাম। এইবাৰ ৰূপালীক ময়েই বুজাই চাম ভাৰতীয় বিবাহিত মহিলাই এনেদৰে পৰপুৰুষৰ লগত ঘূৰি ফুৰাতো শোভা নাপায় বুলি।

বিবাহৰ পিচত এক সুস্থ সবল গাৰ্হস্থ্য জীৱনৰ পাতনি মেলিব লাগে। সন্তান জন্ম দি তাক সুনাগৰিক হিচাপে গঢ়ি তুলিব লাগে । এই গাৰ্হস্থ্যাশ্ৰমৰ গুৰুভাৰ বহনৰ বাবে পতি-পত্নী উভয়ৰে প্ৰয়োজন । শাস্ত্ৰত লিখা আছে- “ সঙ্কষ্টো ভাৰ্য্যায়া ভৰ্ত্তা ভত্ৰা ভাৰ্য্যা তথৈব চ । ষন্মিন্নেব কুলে নিতং কল্যাণং তত্ৰ বৈ ধ্ৰবম।।” অৰ্থাৎ যি বংশত ভাৰ্য্যাৰ প্ৰতি স্বামী সন্তুষ্ট আৰু স্বামীৰ প্ৰতি ভাৰ্য্যা সন্তুষ্ট থাকে – সেই বংশত নিতৌ কল্যাণে থিতাপি লয়। অন্যথা ইয়াৰ ব্যতিক্ৰম হোৱা স্বাভাৱিক । কৈ চাব পাৰো কিন্তু ৰূপালীয়ে মানিব জানো ? তাই যিহে ছোৱালী ধনৰ গৌৰৱ আছে বংশৰ গৌৰৱ আছে.....।

ৰাতিপুৱা ছয় বাজিছে তেতিয়া । মুখখন ধুই পদূলিমুখলৈ ওলালো এনেয়ে । হঠাৎ শুনিলো —“ বল হৰি বল ” “ বল হৰি বল” । বেদনাবিধুৰ শ্মশান যাত্ৰা । বুকুখন চিৰিংকৈ উঠিল । ভগৱানে কাক বা নিলে চিৰদিনৰ বাবে নেদেখা দেশলৈ !! কিন্তু চিনাকি মুখবোৰ দেখোন ওচৰ চাপি আহিছে । কৌতুহলেৰে এজনৰ মুখলৈ চালো ।

ক’লে– “ ৰাতি ডেৰমান বজাত মদন সিফলীয়া হ’ল।”  কথা শুনি মোৰ বুকুৰেদি যেন কাৰগিলৰ যুদ্ধত পাকিস্তানী সৈনিকৰ মৰাস্ত্ৰৰ গুলি এটি আহি বুকুখন শেলি থৈ গ'ল ।

নমস্কাৰ জনালো, যোৱা বন্ধু ! আহিছিলা অকলে - যোৱাগৈ অকলে। আমি মাথো চিনাকি দুদিনৰহে।

***

# ব্যতিক্ৰম

নিজৰ দুয়োজন ল’ৰাৰ মাজত ইমান ব্যতিক্ৰম দেখি নৰ্মদা আচৰিত হয়। মনৰ মাজত নানা প্ৰশ্নয়ে অৱতাৰণা হয় আৰু নিজে নিজে মাৰ যায়। ডাঙৰ ল’ৰাৰ প্ৰতি অন্যায় কৰি অহা যেন ভাৱ হ’ল তেওঁৰ। ছোৱালী এজনী চাই চিতি নিজে পচন্দ কৰি ডাঙৰ ল’ৰাৰ মতামত লৈ ৰাহি যোৱা চাবৰ দিহা কৰি পেলালে নৰ্মদাই। ডাঙৰ বাপুক কথাটো কোৱাৰ লগে লগে নাকচ কৰিলে। কোনো দিনে মাকৰ কথা নেপেলোৱা ল’ৰাটোৱে, মাকৰ কথা নুশুনা বাবে নৰ্মদাৰ বৰ দুখ লাগিল। যেতিয়ালৈ সৰু বাপুৰ চাকৰিৰ থান ঠিক নালাগে তেওঁ বিয়া নকৰাতোই খাটাং, মাকক বুজাই দিলে।

সৰু বাপুৱে ৰাতি দহ বজাত ছোৱালী এজনী লগত লৈ ঘৰ সোমোৱাৰ দিনাখন নৰ্মদাৰ মূৰত বিনামেঘে বজ্ৰপাত পৰাৰ দৰে হৈছিল। সেই সময়ত ডাঙৰ বাপুৱে সান্তনা দিছিল মাকক প্ৰকৃতিস্থ হবলৈ। সেই দিনা সকলোৰে ৰাতি ভাত খোৱা নহ’ল।

ৰাতি পুৱাতে ছোৱালীজনীয়ে নৰ্মদাৰ ভৰি চুই সেৱা কৰিলে। সেই সময়ত নৰ্মদাই চোতাল সৰাত ব্যস্ত আছিল। নৰ্মদাৰ হাতৰ পৰা বাঢ়নী তাৰ কাঢ়ি লৈ - মই সাৰিম আজিৰ পৰা মা- বুলি কোৱত, তেওঁ অলপ ৰৈ ছোৱালীজনীলৈ চালে। খুব সুগঢ়িত ছোৱালীজনী, মৰম লগা দেখি, নৰ্মদাৰ মাতৃহৃদয় অলপ গলিল। তোৰ নাম কি ? ক'ত ঘৰ? প্ৰশ্ন কৰিলে নৰ্মদাই। মোৰ নাম অনামিকা শৰ্মা। মোৰ ঘৰ কামাখ্যাত, কামাখ্যাৰ পূজাৰীৰ ছোৱালী মই। বামুণৰ ছোৱালী হৈ, দাস মানুহৰ ল’ৰাৰ লগত আহিলি যে ? তোৰ মাৰ-দেউতাৰে পুলিচ লৈ আহি কিবা আমাৰ অঘটন ঘটাব পাৰে। তই ঘৰলৈ গুভটি যোৱাটোই ভাল হব আই বুলি নৰ্মদাই ক’লে লগতে আৰু ক'লে ভাল যাকে তাকে পাব পাৰি, কিন্তু বিয়া য’তে ত’তে হব নাপায়। মা-দেউতাকৰ আশীৰ্বাদ লৈহে বিয়া হব লাগে। তোৰ ডাঙৰ ভুল হৈছে।

ছোৱালীজনীয়ে অকনো লাজ, ভয়, শঙ্কা নোহোৱাকৈ নৰ্মদাক ক'লে, মোৰ মা-দেউতাই একো খবৰ নকৰে। বৰং মোৰ দায়িত্ব কমা বাবে ভালহে পাব। মোৰ ওপৰত দুজনীকৈ বাইদেউ আছে, বিয়া নোহোৱাকৈ কোনোবা ল'ৰা আহিলেওঁ গোত্ৰ বেলেগ নহয় বাবে বিয়াখন ভাঙি যায়। কামাখ্যাৰ ছোৱালীৰ বিয়া কামাখ্যাৰ ল’ৰাৰ লগতহে হয়। নামনীৰ বামুণৰ ল’ৰাৰ লগত নহয়। পচন্দ নকৰে তলৰ ল'ৰাই। মা-দেউতাই দৰা চাই বিয়া দিব বুলি বাইদেউ দুজনী ৰৈ ৰৈ বুঢ়ী হব এতিয়া। মোৰ কামাখ্যাত থাকি থাকি আমনি লাগিছে ৰক্ষণশীল ব্ৰাহ্মণ পৰিয়ালত। মই পলাই অহা নাই পুলিচত দিবলৈ। মা দেউতাক দাস পৰিয়ালৰ ল'ৰাৰ লগত বিয়া হব বুলি মাত লগাই আহিছোঁ। দেউতাই মাথো এটা কথায়ে কৈছে, ইয়াৰ পৰা গ'লে, পুনৰ মোৰ স্থান আৰু কামাখ্যাত নাই।

ছোৱালীজনীৰ কথা শুনি নৰ্মদা বৰ আচৰিত হ’ল আৰু মনতে ভাবিলে ছোৱালীজনীৰ গাত অকনো দোষ নাই, নিজৰ ল'ৰাজনো সমানে দায়ী। ল'ৰাই প্ৰশ্ৰয় নিদিলে নিজৰ আত্মীয় স্বজনক এৰি, নিজৰ ঘৰ এৰি নাহে। নৰ্মদাই কামৰ অজুহাতত ছোৱালীজনীক এৰি পাক ঘৰৰ ভিতৰত সোমাল।

নৰ্মদাই তিনিজনীকৈ ছোৱালী দেউতাক থাকোতে বিয়া দি আজৰি হৈছে। দেউতাকৰ দৰে সকলো কাম ভাৰি চিন্তি কৰা ডাঙৰ বাপুক সৰুৰে পৰা নৰ্মদাই বৰ ভাল পায়। সৰু বাপুৰ কাৰণে সদায় তেওঁ

চিন্তিত। সৰু বুলি তাক সকলোৱে মৰম কৰিছিল যদিওঁ সি সৰুৰে পৰা অবাধ্য, বেপেৰোৱা চৰিত্ৰৰ আছিল। এজনী ছোৱালীৰ লগত সৰু বাপু কমলেশ ঘূৰি ফুৰা বুলি নৰ্মদাই ঘৰৰ নিচেই কাষতে থকা জুৰিৰ মুখত শুনিছিল । এদিন ভাত খাই থাকোতে নৰ্মদাই সৰু বাপুক সুধিছিল, কলেজত যাওঁ বুলি গৈ কোন ছোৱালীৰ লগত ঘূৰি ফুৰ তই ? সৰু বাপুই হাঁহি হাঁহি মাকক কৈছিল- তোমাক নিশ্চিয় জুৰিয়ে কৈছে । তাই এজনী ছোৱালীৰ নাম কৈ মোক জোকাই থাকে মা । তাইৰ লগৰ ছোৱালী। নৰ্মদাই কথাটো সহজ ভাৱে লৈ মনে মনে থাকিল । নৰ্মদাৰ স্বামী বাণেশ্বৰ দাস ৰিফাইনাৰীত চাকৰি কৰিছিল । তেখেতৰ মৃত্যুৰ পিচত চাকৰিটো কম্পেনচেচন গ্ৰাউণ্ডত ডাঙৰ বাপু অমলেশে যাতে পায় তাৰ বাবে বাণেশ্বৰ দাসৰ বন্ধু অফিচৰ বৰ বাবুয়ে খাটি আছিল । অহা মাহৰ এক তাৰিখে নিয়োগ পত্ৰখন ওলাব বুলি বৰ বুই খবৰটো বাণেশ্বৰ দাসৰ ঘৰত জনাই গৈছিল। চাকৰিৰ খবৰটো পাই মনে মনে অমলেশ ( ডাঙৰ বাপু) আনন্দিত হৈছিল । চাকৰিটো পালেই ডাঙৰ বাপুৰ বিয়াখন পাতিম বুলি মাক নৰ্মদাই ঠিক কৰিছিল । পিছে সৰু বাপু (কমলেশে) ছোৱালী লৈ অনাত ঘৰৰ গোটেই পৰিৱেশেই ওলট পালট হৈ গ'ল। ডাঙৰ বাপুই হাতত ধৰি নিজৰ কোঠালৈ মাক নৰ্মদাক লৈ গ'ল । মাকক ৰিফাইনাৰী লৈ গৈ বৰ বাপুক লগ ধৰি তেওঁৰ নামত থকা নিয়োগ পত্ৰখন সৰু বাপু (কমলেশ) ৰ নামত উলিয়াই দিবলৈ আৰু লগতে কোৱাৰ্টাৰ এটাও যোগাৰ কৰি দিবলৈ অনুৰোধ জনাবলৈ ক'লে বৰবাবুক। বৰবাবু ভাল মানুহ, চালাক চতুৰো । প্ৰয়োজন হ’লে অফিচাৰৰ ঘৰতো মাকক যাবলৈ ডাঙৰ বাপুয়ে বুদ্ধি শিকাই দিলে । ভাৰি চিন্তি মই এইটোহে পৰিত্ৰাণৰ উপায় পালো বুলি ডাঙৰ বাপুয়ে মাকক ক'লে । এটা ধোদৰ লগতে আৰু এজনী পুহিবলৈ টান। মা তুমি আৰু মোৰ চাকৰি নহ'লেওঁ অসুবিধা নহয় একো। ইতিমধ্যে আৰম্ভ কৰা দোকানখনো ভালেই চলিছে । সৰু বাপুক দোকানত বহাব নোৱাৰা, সকলো বেচি কিনি নোহোৱা কৰিব ।

নৰ্মদাই অনুৰোধ কৰা মৰ্মে আবাস গৃহ আৰু চাকৰিৰ নিয়োগ পত্ৰ সৰু বাপু কমলেশৰ নামত ওলাল।

ভাত খোৱাৰ সময়ত ডাঙৰ বাপুৱে আবাস গৃহ আৰু চাকৰিৰ নিয়োগ পত্ৰখন ভায়েকৰ হাতত দি চাকৰিত জইন কৰিবলৈ পিচদিনা যাবলৈ ক'লে । বেকাৰ ভায়েকৰ হাতত দুশ টকা গুজি দি মিঠাই অলপ বৰবাবুলৈ নিব ক'লে । যথা সময়ত ৰিফাইনাৰীৰ বাছত উঠি সৰু বাপু চাকৰিত জইন কৰিবলৈ গ'ল ।

দুদিনমান পিছত ছোৱালীজনীৰ লগত টালি টোপোলাবোৰ বান্ধি কমলেশ ঘৰৰ পৰা গ'ল । ডাঙৰ বাপু অমলেশৰ দোকানখনৰ দিনক দিনে উন্নতি হ’ল। থকা ঘৰটোৰো বহুতো উন্নতি সাধন হ’ল ।

সৰু বাপু কমলেশৰ ‘আলাউদ্দিনৰ চাকি’ পোৱাৰ দৰে হ’ল । নিজৰ ঘৰত আহিবলৈ প্ৰায় এৰিলেই। শহুৰেকৰ ঘৰৰ লগত আহ যাহ বাঢ়িল । ঘৰলৈ আহিলে খালী হাতেৰে আহে । যোৱাৰ সময়ত মাক নৰ্মদাই ইটো সিটো বান্ধি দিয়ে। এদিন সৰু বাপুৱে ঘৈণীয়েক অন্তঃসত্ত্বা হোৱা খবৰটো মাকক দিলে । মাকে নানা তৰহৰ খোৱা বস্তু দি আহিল। বৰবাবুৱে এদিন নৰ্মদাক ক'লে – সৰু বাপুৱে প্ৰায়ে অফিচ খটি কৰে । তাৰ চাকৰি নিলম্বিতকৰণ হব দুই এদিনতে। মাকে কথাটো শুনি মনত বৰ দুখ পালে । নিলম্বিতকৰণৰ কাগজখন ঘৰত ডাক যোগে পিয়নে দি থৈ গ'ল । মাক নৰ্মদাই ৰিফাইনাৰীৰ আবাস গৃহত কাগজখন দি আহিল । দৰমহাৰ টকা কেইটা শেষ নোহোৱা পৰ্য্যন্ত তাতেই থাকিল দুয়ো টকা শেষ হোৱাত ঘৰলৈ ওভটি আহিল । ইতিমধ্যে ছোৱালী এজনীও জন্ম পালে । ডাঙৰ বাপুৱে পুনৰাই তেওঁলোকক গাড়ীৰে আবাস গৃহত থৈ আহিল। আবাস গৃহটো বেলেগক দি দিলে অসুবিধা হব বুলি ভাইবোৱাৰীয়েকক বুজালে ডাঙৰ বাপুৱে ।

বৰবাবুৰ বুদ্ধি মতে সৰু বাপুৰ নামত মাক নৰ্মদাই অসুখ হোৱা বুলি এখন দৰ্খাস্ত দিলে। অফিচাৰজন মাদ্ৰাজী ধৰ্মভীৰু মানুহ আছিল । তেওঁৰ ছোৱালীৰ বিয়াৰ বাবে দুমাহৰ ছুটী লৈছিল । তেওঁ নৰ্মদাৰ প্ৰতি কোমল হৈ কমলেশ সৰু বাপুক পুনৰ চাকৰিটো দিলে ।

ডাঙৰ বাপুৱে বিয়াৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিলে, সৰু ভায়েকৰ মতি গতি সলনি নোহোৱালৈ নৰ্মদাই সকলো ভগৱানৰ ওপৰত এৰি দিলে।

***

# আই লাভ ইউ

বহুত সময় দুয়ো মুখামুখিকৈ বহি ৰ'ল। লাহে লাহে দুই এটোপাল বৰষুণ সৰিলে, মাকেও পুতেকক কিবা এটা কম বুলি কবলৈ সাহস গোটাব পৰা নাই।

বৰষুণ জাক বৰ জোৰেৰে আহিল । বৰষুণ জাক এৰালৈকেও গাড়ীৰ সময় নিমিলে। তথাপিও মাৰ বাক্য। কাপোৰ-কানি পিন্ধি ওলোৱাতহে মাই কবলৈ পালে নে ? কিহে পালে মাক। মোৰ চাকৰিয়েই তেনেকুৱা। বাৰান্দাৰ চকীখনত বহি লৈ আকাশ-পাতাল ভাবি চালে এবাৰ অভিজ্ঞানে। এনেয়ে চকুহাল ৰাস্তাৰ পিনে চাই ভাবি থাকোতেই চুবুৰীৰ সৰু আলিবাটটোৰেদি চৌধুৰীৰ পুতেক অনিলৰ ফিয়েট গাড়ীখন ডাঙৰ ৰৌ মাছ এটাৰ দৰে ফিচা মাৰি গুচি গ'ল। আনদিনা এনেদৰে গাড়ীখন গ'লে আলিবাটটো ধূলিয়ে ধূলিময় কৰি যায়। আজি কিন্তু অইন দিনাৰ দৰে হোৱা নাই - বৰ ৰক্ষা।

যোৱা কেইদিন বৰ খৰাং গ'ল । গুৱাহাটীত ঠাইয়ে ঠাইয়ে পানীৰ বৰ হাঁহাকাৰ হৈছে। বৰষুণজাক ঠিক সময়তে আহিছে । আহক লাগিলে মোৰেই অসুবিধা হওঁক তথাপিও দহজনৰ উপকাৰ হোৱাটো মোৰ বাঞ্চনীয়। অসম গবৰ্ণমেন্টৰ অফিচ হ'লেটো কথাই নাছিল, পিছে আমাৰ অফিচ অলপ বেলেগ, মাহেকৰ মূৰত হাজিৰা দুটা পোৱাটো যেনেকৈ বেলেগ মানে পাওঁৱেই, নহলে দেখোন হৰেণৰ পৰিয়ালৰ দৰে হ'লহেতেন। চাছোন চা, বেচেৰা হৰেণটোলৈ মোৰ মনত পৰি থাকে। পূৰ্ণতা লাভ নকৰোতে এজনী গাঁথি ল'লে। আহিল সংসাৰলৈ দুটি কণ কণ পোৱালি । আমি দেখোন আজিলৈ এজনীৰ ওচৰলৈকে যাবলৈ পৰা নাই । জানোচা কৰবাত আউল লাগি যায়। জানিবই লাগে ; - "আগতে ঘৰবাৰী, পিচতহে তিৰি-চলি।" তাৰ (তেওঁৰ) কিন্তু আগতে তিৰি চলি আহিল। গতিকে আউল লগাতো স্বাভাৱিক।

অভিজ্ঞানৰ মাকে বহাৰ পৰা উঠি কৈ গ'ল। মুন তই আজি নাযাৱ যদি নেলাগে দে, কাইলৈ যাবি। এই বুলি কৈ ভিতৰ সোমাল।

মাৰ কথাখিনিয়েই মোক টোপনিৰ পৰা সাৰ পোৱাদি পোৱাই দিলে। মই সাউতকৈ বহাৰ পৰা উঠি চুট্‌কেচটো হাতত লৈ মাক মাত লগাই ভৰি দুখন চুই আলিবাট পাওঁতেই নাতিদূৰৰ পৰাই ৰঙা চিটি বাছখন দেখি হাত ডাঙিলো। বাছখন অলপ আগুৱাই গৈ কেৰেংকৈ এটা শব্দ কৰি ৰৈ গ'ল। দৌৰ মাৰি গৈ বাছখনত উঠি পিছ পিনলৈ চোৱাত দেখিলো মা তেতিয়াওঁ পদূলি মূৰতে ৰৈ আছে।

চিট এটা পাই বহি ললো আদাবাৰীলৈ বুলি। বহি লৈ মাৰ কথাকে ভাবিলো। সঁচাই মাক মাকেই। এই চাকৰিটোত মাৰ বৰ আপত্তি। কাৰণ অলৈ তলৈ গৈ থাকিব লাগে । মাৰ মতে গাঁৱৰ স্কুলখনৰ চাকৰিটো এৰিব নালাগিছিল । ঘৰতে বহি বহি দৰমহা পালোহেঁতেন। কাৰণ মাৰ ৬ টা ল'ৰা-ছোৱালীৰ ভিতৰত ময়েই সৰু, পেটমোছা । আদাবাৰী, আদাবাৰী বুলি কণ্ডাক্টৰে চিঞৰ লগোৱাত বাছৰ পৰা নামি ভূটানমুৱা বাছ এখনত উঠি বহি ললো। তেতিয়া প্ৰায় দিনৰ ৮ মান বাজিছে। মোৰ যাত্ৰা ভূটানৰ ওচৰৰে হবিশিঙা নামৰ বাগান এখনলৈ।

১৯৯১ চনৰ ২০ মাৰ্চ তাৰিখটো আছিল মোৰ জীৱনৰ এটা স্মৰণীয় দিন। হুমুনিয়াহ এটা কাঢ়ি অভিজ্ঞানে ভাবিবলৈ ললে। মই দিন হাজিৰা কৰো কেন্দ্ৰীয় চৰকাৰৰ লোকপিয়ল অফিচত। পেটৰ ভাতমুঠিৰ বাবে ওপৰৱালাই য' লৈকে পঠিয়াই তালৈকে যাওঁ। লগত মাথোঁ (দা-খন) মানে কলমটো।

বাছখনৰ ভিতৰখনৰ লগতে যাত্ৰা কৰা যাত্ৰীবোৰক এবাৰ চাই ললো। চিনাকি মুখ এখনো নেপালো, কথা নাই। মই সৰু ল'ৰা নহওঁ। চিটটোত ভালকৈয়ে বহি ললো। মোৰ ওচৰৰ চিটটোত এজন ক'লা নাক চেপেটা আদবয়সীয়া মানুহ বহি ললে। তেওঁ ক'লৈ যাব মই শুধি ললো। একেষাৰতে ক'লে, হৰিশিঙালৈ। মনে মনে ভাবিলো, যাহওঁক লগ এজন পালো। বাছখন ভৰি পৰিল। বাছ চলিল-হেণ্ডিমেন, কণ্ডাক্টৰ উঠিল।

আকৌ আৰম্ভ হ'ল এক নতুন যাত্ৰাৰ। মুক্ত আকাশ, মুক্ত বতাহ, বাছৰ খিৰিকিখনেৰে উদাস দৃষ্টিৰে চৌদিশ নিৰীক্ষণ কৰিলো। গন্তব্য স্থানলৈ বুলি গাড়ী চলি থাকিল। মনত পৰিল মালৈ পৃথিৱীৰ সৰ্বশেষ সম্পদ কি ? হয়তো পবিত্ৰ মৰম। মাৰ হিয়া ভৰা মৰম।

মনত পৰিল বাই-ভনীৰ মৰম-চেনেহ পূৰ্ণ হৈ থকা ঘৰখনলৈ। এটি এটিকৈ জীৱনৰ ঘটনাবোৰ চিনেমাৰ ৰিলৰ দৰে মানস পটলৈ আহিল। কিমানবাৰ যে গাড়ী ৰাখিলে হিচাপ কৰা নাই, নামিছে, চিগাৰেট হুপাই চিগাৰেট হুপিছে, তামোল খোৱাই তামোল চোবাইছে ইত্যাদি। মোৰ কাষত বহা মানুহজনে ভদ্ৰতাৰ খাতিৰত নে কি ? মোকো এখন তামোল যাচিলে। পৰম তৃপ্তিৰে তামোলখন চোবালো।

ককাই কেতিয়ামানে হৰিশিঙা পাম গৈ ? উত্তৰত মানুহজনে ক'লে পাম ৫ টা, ৫-৩০ মান বজাত। ঠিক সেই সময়তে গৈ পালো লক্ষ্যস্থান যি সময়ত ৰঙা বেলি ককাইয়ে দিনটোৰ লঘোন সামৰি হবিচত বহিব আৰু। বাছৰ যাত্ৰীবোৰ নমাত লাগি। মইয়ো চুটকেচ্‌টো হাতত লৈ লাহে ধীৰে নামিলো।

কণী পাৰিবলৈ ওলোৱা চৰাইয়ে চাৰিও পিনে ঘূৰি ঘূৰি চাই লোৱাৰ দৰে মইয়ো ইফাল-সিফালকৈ ঘূৰি চাওঁতে বিপৰীত ফালৰ পৰা এখন ৰিক্সাত গাভৰু দুজনী আহি মোৰ পৰা অলপ দূৰত নামি ৰিক্সাৱালাক পইচা দি খেক্‌খেকাই হাঁহি গুচি গ'ল।

মই অলপ বেগাই গৈ ৰিক্সাৱালাক লগ ধৰিলো। ঐ ৰিক্সা ভাই, গেষ্ট হাউছ কোনপিনে গ'লে পাম। আহক বুলি কৈ তাৰ ৰিক্সাতে বহুৱালে। অলপ দূৰ যোৱাত সি মোক উদ্দেশ্যি ক'লে, বাবু সেইটো 'আশীৰ্বাদ গেষ্ট হাউছ'। ৰিক্সাক বিদায় দি এখোজ দুখোজকৈ আগবাঢ়ি গৈ এটা ৰূমৰ বন্দোবস্ত কৰি সোমাই পৰিলো। ল'ৰা এজনে আহি মোক পানী এগিলাছেৰে সৈতে জগ এটা দি থৈ গুচিগ'ল।

হাত-মুখ পখালি উঠি কিবা এটা ভাগৰ লগাত গোটেই শৰীৰটো বিচনাত পেলাই দীঘল দি পৰিলো। গেষ্ট হাউছৰ ল'ৰা এজনে একাপ চাহ দুটা বিস্কুটেৰে দি থৈ গ'ল। দুৱাৰখনৰ কাষত দুটি কণ কণ ল'ৰা-ছোৱালী, সম্ভৱ বিপৰীত ফালৰ কোঠাটোত কোনোবা পৰিয়াল (ফেমিলি) আছে। মন যোৱা নাই বাবে মৰম লগা ল'ৰা-ছোৱালী হালকো নেমাতিলো।

ক্ৰমান্বয়ে এন্ধাৰ নামি আহিছিল ধৰাৰ বুকুলৈ, আকাশত দুটি এটি সৰু সৰু তৰা জিলিকি উঠিল, লাহেকৈ দুৱাৰখন খুলি বাৰান্দাখনত থিয় হ'লো। চকুত পৰিল অলপ দূৰৈত উদঙীয়া গৰু দুটাই মুক্ত আকাশৰ তলতে ঘাঁহনি বিচনাখনতে শুই ঘাঁহ পাগুলিয়াই আছে। চাৰিওপিনে নিৰ্জনতা বিৰাজমান।

কোঠাটোৰ বিপৰীত ফালৰ দুৱাৰখন খুলি কণ কণ ল’ৰা-ছোৱালী হালে এখোজ দুখোজলৈ সোমাই আহি পিছপিনৰ পৰা মাত লগালে আংকল (Uncle) | দুয়োকো সাৱটি ধৰি যেন নিঃসংগ মানুহজন ডাঙৰ সংগ এটাত সোমাই পৰিলো । অলপ পিছতে সিহঁতৰ মাক-দেউতাকো সোমাই আহিল মোৰ ৰুমটোলৈ। চিনা পৰিচয় হলো। তেওঁলোক কলিকতাৰ মানুহ, কিন্তু অসমত থকাৰ বহু বছৰ হোৱা বাবে অসমীয়া ভাল ধৰণে কব পাৰে। ল'ৰা-ছোৱালী হালে ভাল অসমীয়া কয়। মাকে অলপ ভঙা ভঙা অসমীয়া কয়। কথা প্ৰসঙ্গতে ক’লে, ‘অ’ আমি বুছ্‌তে পাৰি, ঠিক ধৰণে বোলতে পাৰিনা।'

কথা-বতৰা পাতি থাকোতেই ন বাজিল। ল’ৰা এজনে আমাক দাইনিং হললৈ মাতিলে। লগতে তেওঁলোককো। তেওঁলোকে ৰাতি ৰুটি খায়, ভাত নেখায়। মই ভাত খালো, তেওঁলোকে ৰুটি খালে। দাইনিং হলৰ কাষতে এটা খৰিৰ দম, ল’ৰাটোৱে মোক খৰিৰ দমটো দেখুৱাই ক’লে আঙ্‌কুল সেই যে খৰিবোৰ দেখিছে, ৰাতি হাতী আহে। হাতী আহিলে খৰিবোৰ জ্বলাই দিব। যোৱা ৰাতিওঁ হাতী আহিছিল।

হাতী অহা কথা শুনি বৰ ভয় লাগিছিল। তথাপিওঁ ভগৱানক চিন্তা কৰি শুই পৰিছিলোঁ। বিছনাত পৰা মাত্ৰকে কেতিয়া টোপনিত ঢলি পৰিলো গমকে নাই।

টোপনিতে হাতখনত ধৰি কোনোবাই জগাই দিয়া যেন অনুমান হল, লগতে বিছনাখনো যেন জোকাৰি দিলে। মই খক্‌মককৈ সাৰ পাই দেখো বিছনাখনৰ ওচৰতে হাতী এটা, সন্মুখৰ দুৱাৰখন সম্পূৰ্ণ হাউলী পৰা । মই নিৰুপায় হৈ গণেশ বাবা, গণেশ বাবা আই লাভ ইউ, আই লাভ ইউ, আই লাভ ইউ বুলি অজানিতে মুখৰ পৰা উচ্চাৰিত কৰি লাহে লাহে পিছলি পিছলি বিপৰীত মুখী দুৱাৰখনলৈ গ'লো। ভাগ্যে দুৱাৰখন খোলা আছিল ।

মনত কোনো সন্দেহ নেৰাখি লাহেকৈ বহি বহিয়েই দুৱাৰখন খুলি আনটো কোঠাত সোমাই দুৱাৰখনৰ খিলিটো দি দেখিলো বিছনাখনত ল’ৰা ছোৱালীহাল অকলে শুই আছে। মই এক প্ৰকাৰ ৰক্ষা পৰাদি পৰি ভয়ে ভয়ে ল’ৰাটোক জগালো। জগাই ক'লো হাতী আহিছে মোৰ ৰুমটোলৈ ।

সিঁহতহালে একে জাপে উঠি মাক-দেউতাকক জগাই ক’লে আঙ্‌কুলৰ ৰুমত হাতী সোমাইছে। লগে লগে গেষ্ট হাউছৰ ল’ৰাবোৰ উঠি হুলস্থুল লগালে জুই জ্বলালে, বাজনা বজালে, জুইৰ পোহৰতহে দেখিলো হাতী এটা নহয় ৮-৯ টা মান। পাল পাতি আহিছে।

হাতী যোৱাত মোৰ ৰুমত আটাইয়ে সোমাই মোক ধন্যবাদ দিলে। আপুনি আই লাভ ইউ বুলি কোৱাত বুঢ়া হাতীটোৱে আপোনাক একো নকৰিলে সি জানিছে – ই কোনোবা ভাল মানুহ বুলি। ই মোক ভাল পায় । বন্যপ্ৰাণীৰ প্ৰতি তেওঁৰ মৰম আছে। সেই বাবেই সকলো মাফ দিলে আপোনাক । তেতিয়া ৰাতি ২ টা বাজি ১০ মিনিট গৈছিল। হাতীবোৰে নিজ গন্তব্য স্থান লোৱা নিৰীক্ষণ কৰি আটায়ে মোক বঙালী পৰিয়াটোৰ ল’ৰাটোৰ লগত শুবলৈ দি ৰুমে ৰুমে তেওঁলোক গুচি গ'ল।

মই শুলো যদিওঁ নিদ্ৰাদেৱীক আমন্ত্ৰণ কৰি আনিব নোৱাৰিলো। বাৰে বাৰে মনলৈ আহিল মাৰ বাক্যটোলৈ আজি নাযাঅ’ যদি নেলাগে দে, ধন্যবাদ জনালো নেদেখাজনলৈ । বিপৰীত মুখী দুৱাৰখনো যদি সেই সময়ত বন্ধ থাকিলহেঁতেন, মই বিছনাখনৰ তলত সোমোৱাত বাহিৰে ৰক্ষা আছিল নে ? কীৰ্তনৰ অজামিল উপাখ্যানৰ দৰে –

মৰিবাৰ বেলা নাৰায়ণ নাম লৈল।

কৌটি জনমৰো

ইটো অজামিলে যত মহাপাপ

তাৰো প্ৰায়শ্চিত্ত ভৈল।।

মইয়ো আই লাভ ইউ, আই লাভ ইউ বুলি অজানিতে কৈ এইবাৰলৈ........।

***

# মই চুৰ কৰা নাই

শিল বালিৰ দমটোৰ কাষত ঠেলাখন সি থলে। ঠেলাখনৰ আগফালৰ খুটি এটাৰ ফাকত ধূপকাঠি দুডাল জ্বলাই দিলে। দুই হাতৰ তলোৱা দুখন লগ লগালে। চকু দুটা মুদি হাত দুখন ওপৰলৈ তুলি তাৰ ইষ্ট দেৱতাক প্ৰণাম জনালে। আজি যেন ভবামতে তাৰ উপাৰ্জন হয় তাকে কামনা কৰিলে তাৰ ভগৱানটোক। পিন্ধি থকা লেতেৰা হাফপেন্টটোৰ পকেটৰ পৰা আজাদ বিড়ি এডাল উলিয়ালে। বিড়িটোৰ মূৰটো আঙুলিৰে টিপি অলপ ঢিলা কৰি ল'লে পাচত দুই ওঠৰ মাজত তাক মৰমেৰে চেপি ধৰিলে। আনখন পকেটৰ পৰা দিয়াচলাইটো উলিয়ালে। বাখৰ লগা ফালটো পৰীক্ষা কৰি দিয়াচলাইটো কিছুসময় কাষলটিৰ তলত থৈ উম দিলে। দেম্ হৈ থকা দিয়াচলাইত জুই নজ্বলিব, গতিকে তাৰ শৰীৰৰ উত্তাপ দি এবাৰতে এটা কাঠিতে জুই উঠাৰ ব্যৱস্থা কৰি বিড়িটো জ্বলালে।ঃ "কমলেশ্বৰ, কোনো কাষ্টমাৰৰ দেখা দেখি নাই চোন অ' !" চিমেন্টৰ বস্তা কেইটাৰ কাষত বহি থকা ভোলা কলিতাৰ মাতত কমলেশ্বৰৰ চিন্তাৰ সোঁতত যতি পৰিল। সি উত্তৰ দিলে, "এৰা, তাকেইটো।"

আজি অতি কমেও দুশ টকাৰ প্ৰয়োজন কমলেশ্বৰৰ। যোৱাকালি পোৱা ঠেলা ভাড়া পঞ্চাশ টকা তাৰ জমা আছে। মুঠ আঢ়ৈশ টকা হ'লে তাৰ কামটো চলি যায়। অইন দিনা সি আবেলি পৰত ঠেলা চলোৱা বন্ধ কৰে। দৰকাৰ হ'লে আহি সি ৰাতিলৈ চলাব। ল'ৰাটোক লৈ তাৰ ঘৈণীয়েক গাঁৱৰ পৰা আহিব। ল'ৰাটোৱে পাঠশালা পাচ কৰিছে। মাইনাৰ শ্ৰেণীত নাম লগাব লাগে। আঢ়ৈশ টকা লাগিব বুলি মাষ্টৰে কৈছে। লাগিলে লাগক। ল'ৰাটোক সি পঢ়াব। সি নিজে স্কুল দেখা নাপালে। ল'ৰাটোক যদি অন্ততঃ ওপৰ শ্ৰেণীলৈ কিছু ঠেলিব পাৰি ভাল আছিল।

ঠেলা চলোৱাৰ আগতে কমলেশ্বৰে গুমটি এটাত চাহ বিক্ৰী কৰিছিল। কিন্তু সেই ব্যৱসায়ত তাৰ লাভ নহ'ল। বহুতে বাকী খাই পইচা দিয়াত খেলি মেলি লগায়। কিছুমানে আকৌ নিদিয়েই, মিছাকৈ দিয়া বুলি কয়। তথাপি তাৰ দিনটোত আশীৰ পৰা এশ টকা ওলাইছিল। কিন্তু লোকেল দাদা কেইজনমানে হাট খোৱাই পইচা আদায় কৰাৰ দৰে দাৰু খাবলৈ তাৰ পৰা পইচা আদায় কৰে। নিদিলে মাৰ খাব লাগে। ইফালে ঘৰ ভাড়াৰ সময় মতে আদায় দিব নোৱাৰিলে মালিকৰ গালি।

এতিয়া সেইবোৰ বিপদ তাৰ নাই। আগতকৈ ইনকাম ভাল। কষ্ট বেছি। হ'বই ! বেছি কষ্ট বেছি পইচা। আন দিনতকৈ আজি কমলেশ্বৰে আৰু বেছি কষ্ট কৰিবলৈ সাজু হৈছে।

চিমেন্ট বালিৰ দোকানখনৰ ঠিক বিপৰীতে ৰাস্তাৰ সিটো পাৰত থকা স্কুলখনৰ মেইন গেটখন দহ বজাৰ পিছত চকীদাৰে বন্ধ কৰে। তাৰ মানে দহ বাজিল। এতিয়ালৈকে ভাড়া এটা নাই। "কি হ'ল আজি," সি ভাৱে। কেইটামান ইটাৰ ওপৰত চিমেন্টৰ খালী বস্তা এটা পাৰি নিজে সাজি লোৱা আসনখনত সি বহি ল'লে। "ভগৱানক দিয়া ধূপ কাঠি দুডাল ভেজাল আছিল কিজানি" - সি ভাবিলে। আনদিনা এনে সময়লৈ দুই তিনি ঠেলা ভাড়া মাৰা হৈ যায় তাৰ। তিনিআলিৰ পৰা পশ্চিমে থকা দৰ্জিৰ দোকানৰ কাষত থকা মানুহ ঘৰৰ মালিকে যোৱা কালি ইটা দুই ঠেলা দি অহাৰ পাছত তাক কৈছিল, "কাইলৈ এক ঠেলা বালি আৰু একবেগ চিমেন্ট লাগিব পাৰে। ৰাতিপুৱা খবৰ এটা লবি।" এতিয়ালৈকে সি খবৰ লবলৈ যোৱা নাই যেতিয়া লেবাৰ বা ৰাজমিস্ত্ৰী কোনোবাই খবৰ কৰিলেহেঁতেন।

দুপৰীয়া কমলেশ্বৰে ভাড়া এটা পালে। মানুহজনে "ভাড়া যি লাগে দিম" বুলি কোৱাত কমলেশ্বৰে মালখিনি থৈ গ'ল। মাল খালাচ কৰাৰ পাছত ভাড়াকলৈ কথা কটাকটি হ'ল। তাৰ হিচাবত চল্লিশ টকা হয় কিন্তু মালিকজনে ত্ৰিশ টকা দিয়ে। "এইকণ ঠাইত তই চল্লিশ টকা নেপাৱ নহয়। আমি কিবা নাজানো বুলি ভাবিচ নেকি ? আচলতে তই পঁচিশ টকা পাৱ। মই বুলিহে ত্ৰিশ টকা দিছো- হু, ল" বুলি টকা কেইটা কমলেশ্বৰৰ হাতত গুজি দিলে। মানুহজনে কথাকেইষাৰ এনে ধৰণে ক'লে যেন ঠেলা ভাড়াৰ ৰেট্‌টো তেওঁহে বনাই থৈছে। সৰু ঠেক্ গলিটোত কমলেশ্বৰে তাৰ ঠেলাখন পোনে পোনে ঘূৰাব নোৱাৰি প্ৰথমে পাছ্ ফালে বেক্ কৰি সোঁফালৰ চকাটো বাওফালে কাটি পুনৰ সোঁফাললৈ ঘূৰাই উভতি আহিল।

"এটামান বাজো বাজো হ'লেই কিজানি। প্ৰয়োজনীয় টকাখিনি নাপালে ঘৈণীয়েকৰ হাতত সি কি দিব ? - ভাবি ভাবি ঠেলাখন লৈ সি গৈ থাকিল, "মানুহ যে কিমান ধৰণৰ আছে। তোমালোকে মস্ত মস্ত বিল্ডিংবোৰ বনাওতে হাজাৰ হাজাৰ টকাৰ কাঠ, চিমেন্ট, বালি, শিল নষ্ট হৈ যায়। তেতিয়া তোমালোকৰ গাত নালাগে; কিন্তু আমাক আমাৰ প্ৰাপ্য ভাড়াটো দিওতে তোমোলোকৰ কষ্ট হয়। বেছি টকা থকা মানুহবোৰ এনেকুৱাই । আমাৰ দৰে দুখীয়া মানুহক মানুহ বুলি গণ্য নকৰে এই চাম মানুহে" তাৰ মগজটো অলপ গৰম হৈ যায়।

আবেলি হবৰ হ'ল। ঠেলাখন দোকানৰ আগত থৈ তাৰ বিশেষ আসনখনত বহি ল'লে। বিড়ি এটা জ্বলালে। মাত্ৰ ত্ৰিশ টকাহে এতিয়ালৈ পালে। ল'ৰাটোৰে সৈতে ইতিমধ্যে তাৰ ঘৈণীয়েক কিজানি আহি পাইছে। চিন্তা নাই চাউল দুই কিলো, দাইল এপোৱা, আলু এক কিলো যোৱা ৰাতি সি বজাৰ কৰি থৈছে। মিঠাতেল বটলটোত দুই আঙুল মান আছে। ষ্টোভটোত কেৰাচিন তেল এক লিটাৰ যোৱা ৰাতি ভৰাই থৈছে। গতিকে ঘৈণীয়েকে একো অসুবিধা নাপায়। যোৱা ৰাতি পানী দি থোৱা 'পন্তা'ভাত কেইটা সি নিমখ তেল আৰু শুকান জলকীয়া পোৰাৰে ৰাতিপুৱা খাই লৈছে। দুপৰীয়া নাখালেও চিন্তা নাই। ঘৈণীয়েক আহি পালে নে নাই সি খবৰ এটা লৈ আহিব পাৰিলেহেঁতেন। কিন্তু অহা যোৱা কৰোতে তাৰ ২ ঘন্টা সময় লাগিব। ইতিমধ্যে কোনো ভাড়া মাৰ খাই যাব পাৰে। গতিকে সি নাযায়। একেবাৰে সন্ধিয়া বা ৰাতি গৈ ওলাব।

কোনোবা এজন দোকানৰ পিনে আহি থকা যেন লাগিল। হয় আহিছে, তাৰ ওচৰৰফালে। মানুহজনে তাক ক'লে " হেৰা মোক, ইটা দুশ, বালি এক ঠেলা আৰু চিমেন্ট এক বস্তা লাগিছিল। নিব পাৰিবানে ?" কমলেশ্বৰৰ অন্তৰত হাঁহি এটা ফুটি উঠিল যদিও মুখমণ্ডলত তাৰ কোনো অভিব্যক্তি ফুটি নুঠিল। সি ক'লে, "পাৰিম, ক'লৈ নিব লাগিব ?"

"ফিল্ডখন পাৰ হৈ দক্ষিণফালৰ ৰাস্তাটোৰ অকণমান আগবাঢ়ি গৈ তিনি নম্বৰ ঘৰটো। ভাড়া কিমান ল'বা ?" মানুহজনে ক'লে। কেইচেকেণ্ডমান কমলেশ্বৰে মনে মনে থাকিল। সি হিচাব কৰি মুঠতে তিনিঠেলাতকৈয়ো বেছি মাল পালে। দুশ ইটাত দুই ঠেলা, ছয় বস্তাত বালিত এক ঠেলা, তাৰোপৰি এক বস্তা চিমেন্ট। যি ঠাইলৈ যাব লাগিব সেই পথচোৱাৰ দুঠাইত বোকা আৰু এঠাইত এটা আপ আছে। সকলোবোৰ কথা লগ লগাই সি এটা ভাড়াত ত্ৰিশ টকাকৈ মুঠ নবৈব টকাৰ অংক এটা কৰি উলিয়ালে। মুখ ফুটাই ক'লে "নব্বৈ টকা লাগিব দিয়ক।"

মানুহজনে ক'লে "নাই নাই ভাড়া বহুত বেছি কৈছা। ষাঠী টকা দিম।

মালখিনি পেলাবা। "কমলেশ্বৰে কৰ্মাচিয়েল হাঁহি এটা মাৰি ক'লে "ঠিক আছে আপুনি কৈছে যেতিয়া দহ টকা কমাই দিয়ক । আশী টকা দিব।"

মানুহজনে প্ৰায় ধমকি দিয়াৰ সুৰত কমলেশ্বৰৰ আগত ভাষণ এটা দিলে - "আমি একে অসমীয়া মানুহ বুলি প্ৰথম তোমালোকক বিচাৰো । বাংলাদেশী ঠেলাৱালা হোৱাহেঁতেন পঞ্চাশ টকাতে মান্তি হ'লহেঁতেন । এতিয়াও ভাৰি চোৱা । মই তোমাক বেছিকৈয়ে দিছো ।"

"নোৱাৰিম দিয়ক ৰাস্তাটো বৰ বেয়া । এজনে অকলে একঠেলা মাল বোকাখিনিত আৰু আপটোত ঠেলিব নোৱাৰে। বৰ কষ্ট হয় । ককালত ধৰে।"

কমলেশ্বৰৰ কথাত অসন্তুষ্ট হৈ মানুহজনে ক'লে – অ' তাৰ মানে পিচ্ দিয়া ৰাস্তাতহে তোমালোকে ঠেলা চলোৱা । বাঃ বঢ়িয়া অসমীয়া ঠেলাৱালা।"

ভোৰ ভোৰাই মানুহজন গুচি গ'ল । মানুহজন যোৱাৰফালে চাই চাই কমলেশ্বৰে ভাবিবলৈ ধৰিলে, "ভাড়াটো মাৰা গ'ল । ষাঠী টকাতে যোৱা ভাল আছিল নেকি ? কিন্তু যোৱা এবছৰৰ পৰা সেই ঠাইলৈকে সিহঁতে ত্ৰিশ টকাকৈ ভাড়া পাই আহিছে । ইয়াতকৈ কম ৰেটত ভাড়া মাৰিলে বাবুলাল, মনেশ্বৰ, ধৰণীহঁতে তাক ধৰিব । তেতিয়া সি কি জবাব দিব ? কিন্তু আজি যে তাৰ টকাৰ খুব প্ৰায়োজন আছিল ।" খেলি মেলি লাগি থকা তাৰ মগজটোৱে কাম নকৰা হ'ল। সি আজাদ বিড়ি এটা পুনৰ জ্বলাই আজাদী টান এটা মাৰি তাৰ মগজটোক আজাদী কৰিব বিচাৰিলে । ঠেলাখন ঠেলি নি ওচৰতে থকা আহত গছজোপাৰ তলত থলে । ঠেলাখনত তাৰ গামোচাখন পাৰি তাৰ ওপৰত ওপৰমুৱাকৈ শুই বিড়িটো টানি টানি দুখ ভাগৰ ভোক আৰু চিন্তাৰ পৰা পৰিত্ৰাণ কৰিলে ।

তাৰ টোপনি আহিল । সি যেতিয়া সাৰ পালে ওচৰৰ দোকানবোৰৰ লাইটবোৰ জ্বলি থকা দেখিবলৈ পালে । ৰাস্তাৰ লাইটবোৰ জ্বলিছে । চাৰিও ফালে লাইটৰ পোহৰ বিয়পি পৰিল । মাথো সিহে অন্ধকাৰলৈ সোমাই গৈছে । সদায় যিডোখৰ ঠাইত থয় তাতে সি ঠেলাখন ৰাখিলে । কেইগজমান আগবাঢ়ি গৈ ৰমাৰ পানদোকানৰ পৰা আজাদ বিড়ি এক মুঠা, দিয়াচলাই এটা আৰু চানাভজা দুটকাৰ কিনিলে । তাৰ পাছত বাওঁফালে ঠেক গলিটোৱে সি আগবাঢ়ি গ'ল । মালতী বুঢ়ীৰ চালিখনৰ ওচৰত তাৰ ভৰিখন ৰৈ গ'ল । বাহৰ জেওৰাৰ গেটখন খুলি মালতী বুঢ়ীৰ চোতালত কেনেকৈ থিয় হ'ল সি গমকে নাপালে । তৰ্জাৰ বেৰখনৰ ফাকেদি জুমি চাই দেখা পালে মজিয়াত কেৰাচিনৰ চাকি এটা জ্বলি আছে। "মালতী বাই " চোতালৰ পৰা কমলেশ্বৰে মাত দিলে। "কোননো আহিচ ?" বুলি বিছনাৰ পৰা নামি বুঢ়ীয়ে চাকিটো হাতত লৈ দুৱাৰখন আধা মেলি আগন্তুকৰ মুখখন পৰীক্ষা কৰি চালে নতুন গ্ৰাহক নে পুৰণা গ্ৰাহক । " অ তইহে , মই আকৌ তোৰ মাতটো ভালকৈ বুজিব পৰা নাছিলো । আজি কিবা বেলেগ বেলেগ লাগিছে তোৰ মাতটো । বহ ।" বুলিকৈ কমলেশ্বৰক চোতালৰ চুক এটাত বহিবলৈ দিলে । বুঢ়ীয়ে ভিতৰৰ পৰা চুলাই মদৰ হাফ বটল এটা আৰু আয়নাৰ গিলাচ এটা আনি কমলেশ্বৰৰ কাষত থলে । বুঢ়ীয়ে ক'লে, " আজি দেখোন সোনকালে আহিলি ?"

কমলেশ্বৰে কোনো উত্তৰ নিদি বুঢ়ীলৈ এবাৰ কেৰাহিকৈ চাই হাতৰ পৰা বিড়িটো ওঠৰ মাজত লৈ বটলৰ পৰা মদ গিলাচত ঢালিলে -ঢক্ ঢক্ ঢক্ ঢক্ । বুঢ়ী ভিতৰলৈ গ'ল । আনদিনা সি এঢোক মদ আগতে খায়, তাৰ পাছত চানা ভজা দুটামান চোবায় - তাৰ পিছত বিড়ি এটা জ্বলায়। আজি সি গোটেই গিলাচ মদ এবাৰতে তাৰ ডিঙিৰ নলীত ঢালি দিলে। কিছু সময় পাছত সি বুঢ়ীক প্ৰায় চিঞৰাৰ দৰে ক'লে- 'বাই আজি

পানী বেছি হৈছে; আৰু এক হাফ দে।" আনদিনা এক হাফ খালেই তাৰ নিচা লাগে। ঘৰলৈ গৈ ভাত পানী খাই চাপে চুপে শুই থাকে। ৰাতিপুৱা কাউৰীয়ে কা-কা কৰাৰ আগতে বিছনাৰ পৰা শুই উঠে। একেখিনি মদকে আজি তাৰ পনীয়া লাগিছে। নিচা লগা নাই। তাক আজি এটা ফুল লাগিব। তাৰ অন্তৰত কিহবাই যেন হেঁচা মাৰি ধৰিছে। সি ভালকৈ উশাহ লব পৰা নাই। ফুল এটা খাই দিলে সি উশাহ লব পাৰিব। তাৰ বুকুখন পাতল লাগিব। দ্বিতীয় হাফটো লৈ মালতী কমলেশ্বৰ কাষত বহিল। কমলেশ্বৰ মালতীৰ পুৰণা কাষ্টমাৰ। দুয়ো সুখ দুখৰ কথা পাতে। "আজি কালি কাৰবাৰ ভাল নহয় অ' - বস্তুবোৰৰ দাম বাঢ়ি যাব ধৰিছে।" মালতীয়ে ক'লে।

কমলেশ্বৰে যেন কথা পাতিবলৈ লগ এজনীহে বিচাৰি আছিল। বুঢ়ীৰ কথাত যোগ দি সি ক'লে, "কাষ্টমাৰ বাঢ়িলেহে কাৰবাৰ ভাল হব। আকৌ দাম কম পালেহে কাষ্টমাৰ বাঢ়িব।" কথাষাৰ কৈ সি থমকি ৰ'ল। সিও দেখোন ঠেলাভাড়া নকমালে। ফলত কাষ্টমাৰ আঁতৰি গ'ল। গিলাচৰ অৱশিষ্ট মদখিনি মুখত ঢালি দি সি বিড়ি এটা আকৌ জ্বলালে। সি আৰম্ভ কৰিলে, "জান বাই, আচল কথা ক'ত ? কৰবাত বুজিছ কৰবাত। সিহঁতে আহি আমাৰ সৰ্ববাশ কৰিলে। সিহতক খেদিব লাগে বুলি কিছুমানে মিছা মিচি চিঞৰ বাখৰ কৰি থাকে। সিহঁতে কম হাজিৰাত ৰাস্তাত শিলগুটি দিয়ে ঠেলা চলায়, ৰিস্কা চলায়। আমি নোৱাৰো। সিহঁতৰ নিজা ঘৰ দুৱাৰ নাই- কুকুৰ মেকুৰীৰ দৰে য'তে-ত'তে পৰি থাকে। আমাৰ ঘৰ আছে, ল'ৰা-ছোৱালী আছে। সিহঁতক পঢ়াব লাগে - খৰচ আছে। আমি এই ঠাইৰ মানুহ - নিজ ঠাইত জন্মিছো। সেই কাৰণে আমাৰ মানুহে আমাক নাচায়। আমাক দুই টকা বেছিকৈ দিব নোৱাৰে। দুটকা কমত সিহঁতক কাম দিব। তেনেহ'লে সিহঁতক আমাৰ মানুহে লাই দিয়া নাইনে ? ইমান সময় চকু মুদি বলকি থকাৰ পাছত 'বুজিছ বাই' বুলি চকু মেলি দেখে মালতী বুঢ়ী কাষত নাই। সি বহাৰ পৰা থিয় হ'ল। দুখোজ দি চালে। ঠিকেই আছে – যাব পাৰিব। "বাই পইচা ল' " বুলি সি চিঞৰি দিলে। মালতী ভিতৰৰ পৰা ওলাই আহিল। দুটা হাফৰ দাম বিশ টকা বুঢ়ীৰ হাতত গুজি দিলে। তাৰ হাতত থকা দুটকীয়াটোও দি ক'লে - এই দুটকাৰ দে চোন ! "। বুঢ়ীয়ে আধা গিলাচ আনি দিলে। গিলাচটো হাতত লৈ আকৌ কবলৈ ধৰিলে - "চাল্লা, ষাঠী টকা দিয়ে আৰু বিশ টকা দিব নোৱাৰে। আমাৰ ল'ৰা-ছোৱালীও বাংলাদেশীৰ ল'ৰা-ছোৱালীৰ দৰে থাকিব লাগে নেকি ? ক'চোন বাই। বেইমানহঁত। অসমীয়া, বঙালী, বিহাৰী, মাৰোৱাৰী যিয়েই নহওক ধনী ধনীয়েই - দুখীয়া দুখীয়াই। ধনীয়ে দুখীয়াক মৰম নকৰে।"

হাত ভৰি নোধোৱাকৈয়ে কমলেশ্বৰ বিছনাত পৰি গ'ল। কেতিয়া ঘৰ আহি পালে গমকে নাপালে। ঘৈণীয়েক আৰু ল'ৰাটো মজিয়াত ঢাৰি পাৰি শুই আছিল। কমলেশ্বৰৰ নিচা হৈছিল। বিছনাত শুই শুই সি কবলৈ ধৰিলে, "কিয় আহিছ তহঁত ? আমাৰ দৰে দুখীয়া মানুহৰ ল'ৰা-ছোৱালী পঢ়িব নালাগে। পঢ়া অনুচিৎ মই ঠেলা চলাইছো - চুৰ কৰা নাই - তয়ো থেলা চলাব লাগিব। চুৰ কৰিব নোৱাৰিবি। আমি চোৰ নহয়। আমি দুখীয়া। চুৰ কৰিলে মানুহ ধনী হয়। আমি চোৰ নহয় গতিকে আমি দুখীয়া। শুই থকাৰ পৰা ঘপকৈ সি বিছনাত উঠি বহিল। তাৰ পাছত সি চিঞৰি কবলৈ ধৰিলে, "চাল্লা কুকুৰৰ বাৎচাহঁত। তহঁত মানুহ নহয়। তহঁত চোৰ। তহঁত আমাৰ তেজ খোৱা জোক। লুকাই লুকাই মানুহৰ তেজ খাৱ। আমি চুৰ কৰা নাই; মানুহৰ তেজ খোৱা নাই। আমি সদায় লঘোণে থাকো। চাই লম তহঁতক" বুলি অশ্লীল গালি এষাৰ পাৰি জোৰকৈ বিছনাখনত ভুকু এটা মাৰিলে আৰু শুই থাকিল। কিছুসময় পাছত কমলেশ্বৰে নাক আৰু মুখেৰে ঘোৰ্ ঘোৰাবলৈ ধৰিলে।

***

# প্ৰতিমাৰ প্ৰাণ

আজি গুৰুবাৰ। এৰা গুৰুবাৰেই হয়। কাইলৈ দেৱালী। আজি আমেৰিকাৰ পৰা পদ্মলোচন আহি ওলাল। পদ্মলোচনে নিজ মাতৃ প্ৰতিমাক লগ কৰিব লগতে দেৱালী ধূম ধামেৰে পালন কৰিব। পদ্মলোচনে বেছি দিন ছুটী নাপায়। বছৰত মাত্ৰ কেইটামান দিনৰ বাবে ভাৰতলৈ আহে। প্ৰতি বছৰে দেৱালীতেই আহে পদ্মলোচন । কাৰণ দেৱালী হ’ল আন্ধাৰৰ বিৰুদ্ধে মানুহে কৰি অহা উৎসৱ, পোহৰৰ উৎসৱ। এন্ধাৰৰ বিৰুদ্ধে মানুহৰ সংগ্ৰাম অতীতৰে পৰা চলি আহিছে। এন্ধাৰ হ’ল - অসূয়া, অসম্প্ৰীতি, দুখ-দুৰ্গতি, অত্যাচাৰ অনাচাৰৰ প্ৰতীক। এন্ধাৰক নাশিবলৈ মানুহক পোহৰ লাগে। পোহৰ হ’ল সত্য সুন্দৰ, জ্ঞান, পবিত্ৰতা, শান্তি সম্প্ৰীতিৰ প্ৰতীক। কু-সংস্কৃতি, কু-প্ৰবৃত্তি আৰু কু অভিপ্ৰায়ৰ প্ৰতীক স্বৰূপ এন্ধাৰক দূৰ কৰিবলৈ মানুহক পোহৰ লাগে। সেইবাবেই ভাৰতবৰ্ষত পোহৰৰ উৎসৱ দেৱালী মহানন্দে পালন কৰা হয়।

আজিকালি মন্দিৰবোৰ-ধন সংগ্ৰহৰ কৰ্মস্থলি বুলি বহুতে কব খোজে । ভাৰতত কৌটিল্যৰ অৰ্থশাস্ত্ৰত উল্লেখ থকা এই ব্যৱসায়ৰ প্ৰভাৱ এতিয়াও বিৰাজমান। সেইবাবে ঠায়ে ঠায়ে শিৱ মন্দিৰ, শনি মন্দিৰ, গণেশ মন্দিৰ, কালী মন্দিৰ, হৰি মন্দিৰ আদি কৰি ক’ত কিমান মন্দিৰ আছে ভাবিবই নোৱাৰি। একেই মানুহ অথচ বিভিন্ন ঠাইত বিভিন্ন দেৱ-দেৱীৰ মন্দিৰ।

‘যত্ৰ জীৱ তত্ৰ শিৱ’। ধৰ্মত পৰিত্ৰাণ বিচাৰি ক্লান্ত হোৱা মানৱ ভাৰতত যেন চিৰদিনেই থাকিব। এই মানুহবোৰে শিৱ পূজাৰ নামত জাতি-বৰ্ণ, উচ্চ-নীচ পাহৰি আপোন পাহৰা হ’ব। ফলত দহৰ সমাজৰ নৈতিক আচৰণত প্ৰভাৱ পেলাব। শিৱ পূজাৰ নামত উৎসৱ হ’ব। এই উৎসৱে সংস্কৃতিৰ ধাৰা বোৱাব। কাৰণ সংস্কৃতিৰ এটি প্ৰধান উপাদান হ’ল-উৎসৱ। উৎসৱে মানুহক সৃষ্টিৰ প্ৰেৰণা দিয়ে। মানুহক জীয়াই থকাৰ আমূল শক্তি দিয়ে। গতিকে দেৱব্ৰতে শিৱ মন্দিৰ নিৰ্মাণ শেষ কৰিলে। মন্দিৰৰ কাষতে থাকিবলৈ এটি সৰু ঘৰ সজাই দিলে। প্ৰতিমাই তাতেই থাকিবলৈ ল'লে।

ৰাতিপুৱা শুই উঠি গা পা ধুই মন্দিৰটো ধুই পখালি পৰিস্কাৰ কৰি পূজা অৰ্চনা কৰাই হ’ল প্ৰতিমাৰ প্ৰধান কাম। লাহে লাহে দৰ্শকৰ ভীৰ হ’ল। হয়তো শিৱ বাবাৰেই আশীৰ্বাদ। অভাৱ কি তাইৰ নাইকীয়া হ’ল। নিতৌ অতি কমেও হাজাৰ বাৰশ প্ৰণামী টকা আয় হয়।

সময়ৰ গতিক বাধা দিব কোনে ? প্ৰতিমাৰ ল’ৰাটি ইঞ্জিনিয়াৰিংত ডিগ্ৰী লৈ সি বিদেশলৈ গুচি গ’ল। প্ৰতিমাৰ মন আজি ৰজনজনা। ৰাইজৰ হিয়াভৰা ৰং উলাহৰ খলকনি। মাজে মাজে কলিজা কঁপোৱা মেঘৰ ঢেৰেকণি, গিৰজনি, চকুত ছাট মাৰি ধৰা বিজুলীৰ চিকমিকনিৰে বৰষুণ হয়, তথাপি মন্দিৰত দৰ্শনাৰ্থীৰ ভিৰ নকমে । উৎসৱৰ সময়ত ৰজাঘৰীয়া মানুহো মন্দিৰত সোমাই ভিৰৰ সোতঁত কানোৱাই কাৰোবাক হেঁচা ঠেলা কৰাৰ ফলত উশাহ নিশাহ নাপাই; তথাপি বাবা শিৱক দৰ্শন নকৰাকৈ নাথাকে। দৰ্শনাৰ্থীৰ মাজত জীয়াই থকাত প্ৰতিমাই প্ৰেৰণা পালে ।

ধুমুহা বেগত আহি জীপ এখন মন্দিৰৰ কাষত ৰ’লহি। নামি আহিল এজন সুন্দৰ যুৱক লগত অনুকম্পা আৰু দেৱব্ৰত। সেই লগত অহা যুৱকজন কোন ? তেখেত এখন দৈনিক বাতৰি কাকতৰ সাংবাদিক। ৰৈ থাকোতে তিনিখন গাড়ীৰে আহি ওলাল পুলিচ। মন্দিৰৰ বাহিৰত কাম কৰা মানুহে ভাবিছে- এইটো মন্দিৰত ইমান পুলিচ কিয় ? পুলিচবোৰ আহিয়েই মন্দিৰৰ চৌপাশে ঘূৰিছে। এনেতে অন্য এজন

যুৱক, এজনী আদবয়সীয়া মহিলাৰ লগত মন্দিৰৰ পৰা ওলাই আহিল। চিকিউৰিটি অফিছাৰে মাত লগালে- হেৰা ডেকা ল'ৰা ! তোমাৰ নাম কি ? মোৰ নাম পদ্মলোচন ডেকা। sorry ডাঙৰীয়া ক্ষমা কৰিব। আপোনাৰ নামটো শুনিছো যদিও দেখা সাক্ষ্যৎ হোৱা নাছিল। কাগজে পত্ৰই পাইছো। আপুনি আমেৰিকাৰ International Technology of Science ত কাম কৰে। কেতিয়াকৈ আহিল ? কিমান দিন থাকিব ?

কি কব ডাঙৰীয়া। সময় একেবাৰে তাকৰ। মাথো দীপান্বিতা বুলি এসপ্তাহৰ বাবে আহিছো। মই অচিৰেই আমেৰিকালৈ উভতিব লাগিব। পিছে এইজনী কোন ? এয়া মোৰ মা। এই মন্দিৰৰ তত্ত্বাৱধায়িকা। নিতৌ ৰাতিপুৱা উঠি মন্দিৰটো ধুই পখালি পৰিস্কাৰ কৰি পূজা অৰ্চ্চনা কৰে।

অ' তেতিয়া হ'লে আচল মানুহজনীকেই পালো। অ' শুনা ! আপুনি অহা দেওবাৰে মন্দিৰটো চাফ চিকুণ কৈ ৰাখিব আৰু কোনো দৰ্শককে মন্দিৰত সোমাব নিদিব । সিদিনা আমাৰ মুখ্যমন্ত্ৰী মহোদয় মন্দিৰ দৰ্শন কৰিবলৈ আহিব। এইদৰে কৈ চিকিউৰিটি অফিছাৰে প্ৰতিমা আৰু পদ্মলোচনৰ পৰা বিদায় লৈ গুচি গ'ল। চিকিউৰিটি অফিছাৰৰ লগত কথোপকথনৰ পৰা বুজি পালো আপুনিয়েই পদ্মলোচন ডেকা যাৰ নাম খবৰ কাকত আৰু আলোচনীত প্ৰায় পঢ়িবলৈ পাওঁ। অসমীয়া ল'ৰাৰ প্ৰতিভা কঢ়িয়াই অনা আপুনিয়েই সেই পদ্মলোচন । সাংবাদিকজনে বহুতো প্ৰশ্ন কৰিবলৈ ধৰিলে আৰু পদ্মলোচনে প্ৰত্যেক প্ৰশ্নৰে উত্তৰ দি গ'ল।

ঃ বাৰু ! পদ্মদা। আপুনি আমেৰিকালৈ যাবলৈ কেনেকৈ সুবিধা পালে ? ঃ দিল্লীত পঢ়ি থাকোতে এটি “অফাৰ” আহিল। ইঞ্জিনিয়াৰিঙৰ ফাইনেল পৰীক্ষাৰ পিছতেই মই চাকৰিৰ সুবিধা পাই আমেৰিকালৈ গুচি গ'লো।

আপুনি পঢ়া শুনা ক'ত ক'ত কৰিছিল ? ঃ তেজপুৰতে হাইস্কুল পাছ কৰি গুৱাহাটীৰ কটনত দুবছৰ পঢ়িলো। তাৰ পিছত দিল্লীলৈ পঢ়িবলৈ গ'লো। ঃ আপুনি পঢ়া শুনা কৰাৰ প্ৰেৰণা ক'ৰ পৰা পালে ? একমাত্ৰ মা'ৰ পৰা আৰু ভালদৰে পঢ়া শুনা কৰিলেহে প্ৰকৃত মানুহ হ'ব পাৰি বুলি মায়ে মোক কৈছিল। ঃ পঢ়া শুনাৰ বাবে কোনে খৰচ দিছিল ?

ঃ মোৰ মায়ে। মায়ে এইটো মন্দিৰতে থাকি পূজা অৰ্চ্চনা কৰে। দূৰ দূৰণিৰ পৰা দৰ্শনাৰ্থী আহে। মন্দিৰটো পৰিচৰ্য্যা কৰাৰ নামত যি দু-পইচা পাই তাৰেই মোৰ পঢ়াৰ খৰচ যোগান ধৰে। বাবা শিৱয়ো মোক ভাল দৃষ্টিৰে চাইছিল হ'বলা । মাৰ আৰ্শীবাদ। দেবব্ৰতৰ সহায় আৰু প্ৰভু শিৱৰ সু-দৃষ্টিয়ে মোৰ জীৱনৰ সফল ৰূপ দিলে।

লগে লগে সাংবাদিকজনে বুঢ়ীজনীৰ পিনে আঙুলিয়াই ক'লে, “বাইদেউ, এই মন্দিৰটো কোনে সজাইছিল ?”

ঃ স্বয়ং আপোনাৰ লগত অহা প্ৰভু, মোৰ জীৱন ৰক্ষাকাৰী দেৱব্ৰতে। মন্দিৰটো সাজি প্ৰভু দেৱব্ৰতে মোক যি সহায় কৰিলে তাৰ বাবে মই চিৰকৃতজ্ঞ। তেওঁ এজন পবিত্ৰ মনৰ মানুহ। সমাজৰ লঘু লাঞ্চনা পালেও সকলোবোৰ সহ্য কৰি মোক আপোন কৰি লৈছিল; একেবাৰেই আপোন । মোৰ বাবে তেওঁ পাৰিবাৰিক অশান্তিও কিমান যে সহিছিল বৰ্ণাব নোৱাৰি। বাবা শিৱৰ আৰ্শীবাদত সেই অশান্তিৰো ওৰ পৰিছিল। প্ৰভুৱেই মোক নব আলোকেৰে নতুন জ্ঞান দিলে। ঃ আপোনাৰ ল'ৰা বৰ্ত্তমান আমেৰিকাত থাকে, পিচে আপোনাৰ মানুহজন কোন ?

কি কৰে তেওঁ ?  এবাৰ চিনাকি হলে ভাল লাগিলেহেতেঁন ? সাংবাদিক জনে প্ৰশ্ন কৰিলে।

গিৰিয়েকৰ কথা সোধাৰ লগে লগে হুক্ হুঁক্কৈ কান্দি কান্দি প্ৰতিমাই কবলৈ ধৰিলে- কি কবা বোপাই ! মানুহ আজি বহু শিক্ষিত হৈছে, মানুহৰ বুজা শক্তিও আছে, কিন্তু আজিৰ মানুহৰ প্ৰকৃত জ্ঞানৰ অভাৱ। পবিত্ৰতাক দলিমাৰি পেলাইছে। ন্যায় সততা শ্ৰদ্ধা-ভক্তিৰ পৰিবৰ্তে অন্যায় ভ্ৰষ্টাচাৰ আমাৰ সমাজত বিৰাজ কৰিছে বোপা ! মই কওঁ শুনা আমাৰ গাঁৱলৈ বিহাৰৰ পৰা নে দিল্লীৰ পৰা এজন ব্যৱসায়ী আহিছিল নাম- বাবুলাল। বাবুলালে মোক তেওঁৰ বন্ধু এজনৰ গুৱাহাটীৰ ঘৰতে বন কৰা ছোৱালী হিচাপে ৰাখিব বুলি লৈ আহিল;  কিন্তু সেই বাবুলালে মাত্ৰ দহ হাজাৰ টকা লৈ মোক বিক্ৰী কৰি দিছিল৷ অচিনাকি মানুহ এজনে মোক কিনি লৈ গ'ল। ভাবিছিলো মোক বন কৰিবলৈ আনিছে। কিন্তু ক'তা ? মোক লৈ যোৱাৰ প্ৰথম নিশাতেই সেই পাপী পশুৱে মোৰ সতীত্ব হৰণ কৰিলে। এদিন নহয়, দুদিন নহয়, সপ্তাহদিন মোৰ জীৱন যৌৱনক উপভোগ কৰিলে। সপ্তাহ দিন পিছত এদিন ৰাতি মই পলাই আহিলো মদাপী পশুক সুৰাৰ লগত কীটনাশক ঔষধ মিলাই মই পলাই আহিলো। আহি থাকোতে ৰাতি পুৱাল। প্ৰভু দেৱব্ৰতে মোক বাটতে পাই গাড়ীত তুলি আনিলে। প্ৰভুৰ ঘৰত এমাহ থাকিলো। এমাহ পিছত মোক গাঁৱৰ ঘৰলৈ লৈ গ'ল। কিন্তু নিয়তিৰ প্ৰবল বানপানীয়ে আমাৰ গাঁওখন নিঃচিহ্ন কৰি পেলালে । বাঢ়নী পানী কাৰোবাৰ কাৰণে হয় অমৃতধাৰা আৰু অইন কাৰোবাৰ কাৰণে হয় মৃত্যুৰ আৰ্তনাদ। বাঢ়নী পানীৰ সোঁত আজিও গাঁওখনৰ ওপৰেদি বৈ আছে। মানুহৰ মুখত শুনিলো মোৰ মা-পিতাই উজনিৰ কোনোবা ঠাইলৈ উঠি গ'ল। সেইদিনাৰ পৰা মোৰ মা-পিতা ক'ত থাকিল তাৰ উমানকে নাপালো বোপাই ! এতিয়া মোৰ এই মন্দিৰেই মোৰ প্ৰাণৰো প্ৰাণ।

***

# ৰহস্য

যাত্ৰীবাহী বাছখনত উঠি মিছিকিয়াই হাঁহি মৰা ছোৱালীজনীলৈ চাই ৰংমনৰ খুব ভাল লাগিল। ইপিনে বাছত সংখ্যাধিক যাত্ৰী। তাতেই অফিচ, কলেজৰ সময়। ঠাহ খাই পৰা যাত্ৰীসকলৰ মুখে মুখে বিৰক্তিৰ কথা। কোনোৱে কয় হেৰি, আপোনাৰ গাটো বৰ শকতহে, বহু ঠাই আগুৰে। কলেজলৈ নতুনকৈ অহা ছাত্ৰীসকলে কয়-অলপ সিপিনে যাবচোন....... ইফালে নাহিব, অৱশ্যে পুৰণিসকল অভ্যস্ত হৈ যোৱা বাবে সেইবোৰলৈ ভ্ৰূক্ষেপ নকৰে। এই ভিৰৰ সুযোগ আৰু সুবিধা বুজি পকেট মাৰে কেতিয়াবা কাৰোবাৰ জেপ উদং কৰি পেলায়। কোনো চেঙেলীয়া ল'ৰাই আকৌ যুৱতীৰ গাতে গা ঘহাই বিনা সকামতে ঘূৰিও নুফুৰা নহয়। কিবা এক শিহৰণত এচাম যুৱক-যুৱতী যেন এই ভিৰৰ সুযোগত সদায় মত্ত। এনেবোৰ দৃশ্য, কথা, ব্যৱহাৰ পাতি ৰংমনৰ ভালদৰে জনা আছে।

বাছখনে এবাৰ ব্ৰেক মৰাত এজনী যুৱতীৰ ওপৰত ৰংমন জপটিয়াই হঠাৎ পৰাৰ নিচিনা পৰি গ'ল। যুৱতী গৰাকীয়ে এটা তৃপ্তিৰ হাঁহিৰে ৰংমনক সঁহাৰি জনালে। লাজতে ৰঙা চিঙা পৰা ৰংমনে ভালদৰে তাইলৈ চাই গম পালে সেয়া "দীপাশ্ৰী" ।

দীপাশ্ৰীয়ে সুধিলে - ক লৈ যায় ? ৰংমনৰ চমু উত্তৰ - গুৱাহাটীলৈ। তাৰ লক্ষ্য সেই বিশেষ ছোৱালীজনীলৈ; যিজনীয়েই দেখা মাত্ৰেই কামনাৰ হাঁহি এটা মাৰি হৰিণী চকুৰে এপলক চাই থাকি তাক আসক্ত কৰি পেলাইছিল। পিছ মুহূৰ্ত্ততে ৰংমনে সেই ছোৱালী জনীলৈ চালে। তাই হাঁহিলে আৰু তালৈ চাই ৰ'ল। দুই-চাৰি যাত্ৰীয়ে সিহঁতৰ পাৰ পৰিক চাৱনিলৈ অৱশ্যে লক্ষ্য নকৰাকৈ নাথাকিল। ৰংমন সতৰ্ক হ'ল। সি সংযতভাৱে দীপাশ্ৰীৰ কাষত থিয় হৈ থাকিল, যাত্ৰীখিনিক অন্ততঃ তাৰ ভদ্ৰতাৰ পৰিচয় দিয়াৰ বাবে। ইপিনে তাক কোনোবাই মাতিলে - হেৰা ৰংমন, ক'লৈ যোৱাহে ? ঘূৰি চাই দেখিলে - তাৰ বন্ধু হিমৰাজ ! অ' হিমু মই গুৱাহাটীলৈ যাম। তুমি ?

হিমৰাজে ক'লে - মিৰ্জাত কিবা এটা হেড চাৰৰ সৰু কাম আছে। পেছাত হিমৰাজ এখন স্কুলৰ কেৰাণী। হিমৰাজে দুনাই একো নকৈ আপোন পাহৰা হৈ চিগাৰেটৰ শেহৰ হোপাটো গিলি খিৰিকীৰে টুকুৰাটো দলিয়াই দিলে।

এনেতে দুজনীমান কলেজীয়া ছাত্ৰীয়ে ভোৰভোৰালে 'ধূমপান নিষেধ' কথাটো যাত্ৰীসকলে পাহৰিলেই চাগে ! আৰু কৈয়েই নাকত ৰুমালেৰে সোপা দিলে। সিহঁতৰ কথা শুনি দুই-চাৰিয়ে হাঁহিলে। কোনো কোনোৱে ঠাট্টাও কৰিলে নিজৰ গাড়ী অনাই শ্ৰেয়, তেতিয়া কাৰো অসুবিধা নহয়। ছাত্ৰীকেইজনী নিমাত হৈ ৰ'ল।

ৰংমন হতবাক হৈ পৰিল। সি মাথো দীপাশ্ৰীয়ে টলকিব নোৱাৰাকৈ ছোৱালীজনীলৈ চাই কিবা এক তৃপ্তি অনুভৱ কৰিলে। ছোৱালীজনীয়েও তালৈ চাই মৃদু হাঁহিৰে তাৰ দৃষ্টিক সহাৰি জনালে। তাৰ খুব ভাল লাগিল - সি ভাবিলে - ঘৰতো বিয়া পতাৰ বু..বু..বা..বা..চলিছে। যদি সকলো ঠিকে থাকে এইজনীকে পাৰিলে.................. ।

হঠাৎ চিঞৰি চিঞৰি হেণ্ডিমেনটোৱে কবলৈ ধৰিলে - মিৰ্জা মিৰ্জা,নামক। পুনৰ সুৰ বদলাই ক'বলৈ ধৰিলে - এই, গুৱাহাটী, কাছাৰী উঠক উঠক...।

ৰংমনে হেণ্ডিমেনজনৰ চিঞৰ শুনি তভক মাৰি ৰ'ল। ইতিমধ্যে দীপাশ্ৰীয়ে তাক মাত দি বাছৰ পৰা নামি গৈছিল। খৰধৰকৈ নামি যোৱাত দুই চাৰি যাত্ৰীৰ খুন্দাত ৰংমনৰ অৱস্থা কাহিল হৈ যোৱা যেন অনুভৱ হ'ল। সি অলপ পিছৰ পিনে চালে - জানোচা মুকলি ঠাই পায়েই। এজন ছাত্ৰই ছিট এটালৈ আঙুলিয়াই ক'লে - দাদা, খালী আছে, ইয়াতে বহক।

ঃ অ' হয়তো। ঘপ্‌কৈ দুখোজ পিছুৱাই দি বহিবলৈ লওঁতেই সেই ছোৱালীজনীও নামিবলৈ উদ্যত হ'ল। তায়ো তাৰমানে মিৰ্জাতে নামিব, ৰংমনে ভাবিলে। ছেঃ গুৱাহাটীলৈ যাব বুলি এনেয়ে ভাবিছিল সি। তাই উঠি আহি ৰংমনৰ গাত একপ্ৰকাৰ হেচুকিয়েই গ'ল। তাৰ সৰ্বাংগত এক মৃদু শিহৰণে জোকাৰি যোৱা যেন অনুভৱ হ'ল । দেখনিয়াৰ ছোৱালীজনীক এবাৰ ক'ত লগ পাব তাৰে কথা ভাবি থাকোতে হেণ্ডিমেনজনে দুৱাৰত চপৰিয়াই দিয়াত বাছখনে গতি কৰিলে। ৰংমনৰ মানসপটত তাইৰ লাহী, কোমল, যৌৱনপুষ্ট শৰীৰটোৱে ভুমুকি মাৰিলে । তাইৰ কুন্দতকটা খামুচীয়া ককালৰ উপৰিও ক্ষীণ আৰু যৌন আবেদনময়ী হাস্যাভিলাষী বদনে যিকোনো বয়সৰ পুৰুষকে বশ কৰিব পাৰে। ৰংমনে মনতে আক্ষেপ কৰিলে - আগেয়ে জনাহেতেঁন সিও মিৰ্জাতে নামিলেহেঁতেন। অন্ততঃ ছোৱালীজনীৰ সৈতে হয়তো পৰিচয় হৈ ল'ব পাৰিলেহেঁতেন।

এনেকৈয়ে চলন্ত বাছখনক এসময়ত গুৱাহাটী বিশ্ববিদ্যালয় নৌপাওঁতেই চি.আৰ.পি.য়ে সংকেত দি ৰখালে। এক, এক, কৰকে চব উতৰো; লিকিন লেডিছ কো নহী- এজন গুফিয়া চি.আৰ.পি.য়ে আদেশ দিলে। আদেশমতে কিছুসংখ্যক নামিল যদিও মহিলা কেইগৰাকী বাছতে থাকিল। দুজনমান ছাত্ৰক বহি থকা দেখি এজনৰ ক'লা বেগটোলৈ চকু পকাই চাই বিষয়াজনে সুধিলে-জেনচ সবলোগ উতৰ গয়া, লেকিন তুম য়হা বেইঠা ৰহা, তুমতো লেডিছ নহী আউৰ ইসমে ক্যা হ্যায় বুলি বেগটো খুলি চালে।

ছাত্ৰজনে তপৰাই উত্তৰ দিলে - হাম তো ষ্টুডেন্ট হুঁ। ইচলিয়ে নহী উতৰ গয়া । লগে লগে বিষয়াজনে তাৰ আইডেনটি কাৰ্ডখন বিচৰাত সি দেখুৱাই দিলে। তেতিয়াহে বিষয়াজন আশ্বস্ত হ'ল। বাছখনক যাবলৈ দিলে। এনেতে দুজনমান যাত্ৰীয়ে হাঁহি হাঁহি কবলৈ ধৰিলে - হায়,হায় আমাৰ বাছৰ ড্ৰাইভাৰজন লেডিছ, নহলেনো তেওঁ বাছৰ পৰা নামি নাযায় নে ? কথা শুনি সকলোবোৰে গিৰ্জনি মাৰি হাঁহিবলৈ ধৰিলে। চি.আৰ.পি. দুজনমানেও নহঁহাকৈ নাথাকিল। চেগ বুজি অসমীয়া ভাষী পুলিচজনে ক'লে - আৰে ভাই, আমাৰ ডিউটি কৰিবই লাগিব, উপায় যে নাই।

অৱশেষত বাছখন মাছখোৱা ষ্টেণ্ডত অৱতাৰণ কৰাত ৰংমন লাহে ধীৰে বাছৰ পৰা নামি খানাপাৰামুখী চিটিবাছ এখনত উঠি ল'লে। খানাপাৰাত তাৰ কাম খিনি সমাপন কৰি পুনৰ চানমাৰিলৈ আহি বন্ধু ৰঞ্জনৰ স'তে গোটাচেৰেক কথা পাতি মূৰকত ঘৰলৈ বিদায় ল'লে।

ডাৱৰীয়া বতৰ আছিল সেইদিনা। ইপিনে ৰাস্তাত যান-জটৰ জামত অধিক সময় লোৱাত তাৰ কিছু সময় পলমে হ'ল। আচম্বিতে হেণ্ডিমেনজনে চিঞৰিলে - এই ছয়গাঁও উঠক,...মিৰ্জা... নামক। এনেকুৱা শব্দ শুনি বাছখনত টোপনিয়াই আহি থকা ৰংমনে খক্‌মক্‌কৈ সাৰ পাই গ'ল। খিৰিকীখন খুলি চালে। ডাৱৰীয়া বতৰ হেতু সন্ধিয়াটো সোনকালে নামি অহা যেন লাগিছে তাৰ। কাষৰ যাত্ৰীজনৰ ঘড়ীটোলৈ চাই গম পালে -পাচ বাজি ত্ৰিশ মিনিট। এনেতে এজন মানুহৰ চাধাৰ থাপৰণিত এটা কাণ তাল মৰা হাচ্চিৰ শব্দত ৰংমনৰ টোপনিৰ আমেজ ভাঙি গ'ল। নাকত ৰুমালেৰে হেঁচা মাৰি ধৰি থকা এজনী ছোৱালী দেখি

সি ভালদৰে নিৰীক্ষণ কৰিবলৈ ধৰিলে। সি চিনি পালে পুৱাৰ ভাগত দেখা সেইজনীয়ে দেখোন। তাৰ খুউব ভাল লাগিল। সি মনতে ভাবিলে এইবাৰ নিশ্চয়কৈ তাইৰ স'তে কথা পাতিব পৰা যাব। এই ভাবি বহি থকা চিট্‌টো এগৰাকী মহিলাক এৰি দি ছোৱালীজনীৰ নিচেই কাষতেই থিয় হৈ ৰ'ল। বাছ চলাত সি ক্ৰমাৎ তাইৰ কাষলৈ হালি যোৱাৰ দৰে হ'ল। তাৰ উষ্ম সান্নিধ্য পাই ছোৱালীজনীয়ে তালৈ এবাৰ কেৰাহীকৈ চালে। সি নীৰৱে ৰ'ল। পুনৰ এবাৰ জাম্পিঙত তাইৰ গাত অলপ বেয়াকৈ খুন্দা লগাত ছোৱালীজনী সংযত হৈ কিন্তু দূৰলৈ আঁতৰি দিলে। তাৰ অলপ বেয়া লাগিল।

এনেতে দুজনীয়া চিট্ এটা খালী হোৱাত ছোৱালীজনী বহি পৰিল। ৰংমনেও খুব হৰফেৰে তাইৰ গাতে গা লগাই বহি ল'লে। ছোৱালীজনীয়ে হাঁহিলে। দুয়ো বেচ আমেজেৰে কিছুসময় বাছখনত বহি গৈ থাকিল। ছোৱালীজনীয়ে সৰ্বাঙ্গ ৰংমনৰ গাত সপি দিয়া যেন তাৰ অনুভৱ হ'ল। সি সকলো পাহৰি গ'ল। ভাবিলে এই পৃথিৱীত কোনো নাই। কেৱল সি আৰু একমাত্ৰ তাই। পিছে ছোৱালীজনীৰ কোমলতা আৰু মৃদু ব্যৱহাৰত সি বুজিব নোৱাৰিলে তাইৰ অন্তৰ গহবৰত বা কি আছে ? কেইবাটাও ষ্টপেজ পাৰ হৈ যোৱাত সি পাহৰি পেলালে তাইক লৈ সি দেখা সপোনটোৰ কথা। সি পৰিকল্পনা কৰিলে ছয়গাৱঁত নামি চাহ তামোল খাই অন্ততঃ তাইৰ স'তে সমস্ত কথা পাতিব। সেয়ে সি নিৰৱতাৰ কোলাত কোমলতাৰ মাধুৰ্য্য উপভোগ কৰি গৈ থকা অৱস্থাতে ধৰা পৰিল সেই কোমলতাৰ মাজত বিষাক্ত সৰ্প দংশনৰ দৰে লুকাই থকা 'জিজ্ঞাসা'। কিছুসময়ৰ পিছত ৰংমনে অনুভৱ কৰিলে তাৰ ককালৰ বেল্টত কিবা এটা বস্তুৰ তীব্ৰ হেঁচা। পোণতে, সি ছোৱালীজনীৰ কোমল সোঁ হাতখনৰ কিলাকুটিটো বুলি ভাবি লৈছিল৷ সেয়ে তাৰ বাওঁ হাতখন খিৰিকিত থৈ তাইক অলপ আবেগেৰে সাবটি ধৰাৰ দৰে ধৰিছিল। সেই সুযোগৰে অপেক্ষাত থকা ছোৱালীজনীয়ে তাইৰ বক্ষাংশ ৰংমনৰ গাত গুজি দিয়াৰ চলেৰে কৈছিল - জেপত কিমান টকা আছে; বেগতে উলিওৱা। অন্যথা এইটো কি দেখিছানে ?

কথাৰ লগে লগে ৰংমন স্তম্ভিত হৈ পৰিছিল। সি এনে এক অৱস্থাত পৰিল যে সি লৰিবও নোৱাৰে, এৰিবও নোৱাৰে। ভয় লগাটো দেখুৱালেও আধ্যা। ইপিনে তাইৰ দেহৰ কোমলতাই তাৰ শৰীৰক অজান আসক্তিৰে গ্ৰাস কৰি পেলাইছে। এনে অৱস্থাত কি কৰে সি ? তাতেই যাত্ৰীৰ ঠেলা হেঁচা। ঃক্ৰেক...ক্ৰেক..ক্ৰেক..

আচম্বিতে বাছখনৰ আগেৰে মেকুৰী এটা দৌৰ মৰাত ড্ৰাইভাৰে ব্ৰেক মাৰি বাছখন ৰখাই আৰু কিছু পিছুৱাই দি পুনৰ অগ্ৰসৰ হ'ল। লগে লগে অলপ হৈ চৈ লাগি পৰিল। যাত্ৰীসকলে গাড়ী ৰখাৰ কথাটো টলকিব নোৱাৰি অলপ ভয় ভয় ভাবেৰে ইজনে সিজনক উদ্দেশ্যি ক'বলৈ ধৰিলে - আজিকালিৰহে ড্ৰাইভাৰ। ষ্টেয়াৰিং পকাব পাৰিলেই হ'ল। চিগ্‌নেল বা ডিৰেকচনৰ অলপো জ্ঞান নাই। সিহঁতৰ খেয়াল খুচি মতে জধে মধে ৰাখিব। কথাবোৰ এজনে আনজন যাত্ৰীক কিছু সমৰ্থন কৰা যেন লগাত ৰংমনৰ খুব ভাল লাগিল। এই সুযোগতে সি ঘপকৈ থিয় হ'ল।

ঃ চাবচোন তাক দিও মছলা বুলি কৈয়েই ড্ৰাইভাৰলৈ এটা চোঁচা ল'লে।

***

# ভোগালী ধামাকা

আজি কণমইনাহঁতৰ ডনৰ মনটো বৰ বেয়া। ডনহঁতে সদায় প্ৰভুসকলৰ হিত চিন্তা কৰে। সিহঁত স্বভাৱতে প্ৰভু ভক্ত। সেই প্ৰভুসকলৰ বিৰুদ্ধে আজি জিমিয়ে যিবোৰ কথা গৈ গ'ল, তাৰ মনটো ভাল নলগাৰে কথা। জিমিহঁতে বাৰু কিয় ইমান নিষ্ঠুৰ সিদ্ধান্ত ললে ? কথাবোৰ সি মুঠেও সহজভাৱে ল'ব পৰা নাই। লও বোলোতেই জিমিহঁতে এনে এটা সিদ্ধান্ত ল'ব নালাগিছিল।

ভোগালী বিহুৰ কেইদিনমান আগৰে পৰা অসমৰ গাঁৱে-ভূঞে, চহৰে-নগৰে সকলো ঠাইতে ডাঙৰ ডাঙৰ ৰঙীণ বেনাৰ দেখা গ'ল। "ভোগালী ধামাকা মাত্ৰ পাঁচ টকাত নোদোকা গাহৰি, তেজাল পঠা, লোকেল মুৰ্গী, চিতল মাছ আৰু লগত আছে বহুতো পুৰস্কাৰ।" কণমইনাহঁতৰ চাৰিআলি চ'কতো তেনে দুখনমান বেনাৰ ওলমিল। আৰু শুনা গ'ল মাইক যোগে বাৰে বাৰে কৰা লোভনীয় ঘোষণা। "আহক ৰাইজ আহক। মাত্ৰ পাঁচ টকাত নোদোকা গাহৰি, তেজাল পঠা, তেলান হাঁহ, লোকেল মুৰ্গী, আকোনা পাৰ, কাণ-ফিচা লৰাই থকা প্ৰকাণ্ড চিতল মাছ, অসমৰ সুগন্ধি জহা চাউল, বৰাধানৰ চিৰা, চৰৰ পৰা অনা ম'হৰ ক্ৰীম আৰু দৈ, চুঙা পিঠা, তিল পিঠাকে ধৰি আপোনালোকে লাভ কৰিব অনেক পুৰস্কাৰ। আহক ৰাইজ ! এই সোণালী সুযোগ হাতত পাই বাটত নেহেৰুৱাব।"

কণমইনাৰ এইকেইদিন মনত বৰ ফুৰ্ত্তি। সি বাৰে বাৰে চাৰিআলিৰ চ'কটোলৈ দৌৰি যায় ভোগালী ধামাকাৰ বাবে আনি থোৱা পুৰস্কাৰবোৰ চাবলৈ। তাৰ সঙ্গী হ'ল ডন। সিহঁতৰ মনত অপাৰ আনন্দ। সেই চুবুৰীৰে কণমইনাৰ বান্ধৱী মিনিৰ কিন্তু মনত বৰ দুখ। এইকেইদিন তাই বুবুৰ কথা ভাবিয়েই চকুপানী টুকি আছে। মিনিৰ দেউতাকে ভোগালী বিহুৰ খৰচ উলিওৱাৰ বাবে তাইৰ অতি মৰমৰ বুবুক চাৰিআলিৰ ডেকা ল'ৰা কেইটাৰ হাতত বেছি দিলে। বুবু হ'ল ভোগালী ধামাকাৰ ঘাই আকৰ্ষণ। তাই বাৰে বাৰে চাৰিআলি চ'কৰ এখন চাঙত তুলি থোৱা তাইৰ মৰমৰ বুবুক চাই আহে আৰু পিৰালিত বহি উচুপি থাকে। মাক বাপেকৰ বুজনিও তাইৰ চকুপানী ৰুধিব পৰা নাই। উৰুকাৰ নিশা তাইৰ বুবুৰ কি গতি হ'ব সেই কথা ভাবি তাই অতিশয় আতংকিত। তাই মনতে স্থিৰ কৰি পেলালে - তাই আৰু কোনো দিনেই আমিষ আহাৰ গ্ৰহণ নকৰে।

চাওতে চাওতে উৰুকাৰ দিন আহি সমাগত। সেইদিনা ৰাতিপুৱাৰে পৰা সকলো ব্যস্ত। গাঁৱে-ভূঞে ল'ৰাবোৰে মেজি সাজি তাৰ ওচৰত ভেলাঘৰত ভোজভাত খোৱাৰ ব্যৱস্থা কৰিছে। কোনো কোনো ঠাইত আকৌ সমূহীয়া ভোজৰ দিহা কৰিছে। সকলোতে মাছ মঙহ কণী থাকিবই। অবাটে যোৱা ডেকাবোৰে আকৌ মাছ মঙহৰ লগত পানীয় বিধো যোগাৰ কৰিছে। গিৰিহঁতে ৰাতিপুৱাই ঢাপলি মেলিছে মাছ, মঙহ, চিৰা-দৈ, সজীৰ পাঁচলি বিচাৰি। গৃহিনীহঁত ব্যস্ত গৃহত। তেওঁলোকে কাপোৰ-কানি, গা-পা ধুই লাগি গৈছে পিঠা-পনা বনোৱাত। গধূলি সময়ত কণমইনাহঁতৰ মাক পাকঘৰত। কোনটো বস্তু কিহৰ লগত জুতি লগাই ৰান্ধিব পাৰিব তাকেই ভাবিছে। সিহঁতৰ চোতালত একুৰা ডাঙৰ জুই। দেউতাকে চুঙা পিঠা পুৰিছে। দুটা ডাঙৰ শিলৰ ওপৰত এডাল কলগছ পাৰি দি তাত পিঠাগুৰি আৰু বৰাচাউল ভৰোৱা চুঙাবোৰ শাৰী শাৰীকৈ সজাই দিছে। তাৰ তলে ওপৰে ধানৰ শুকান নৰাৰ জুই। কণমইনাহঁতে চুঙাপিঠা জুলীয়া মিঠাইত লগাই লগাই খোৱাৰ আনন্দত কিৰিলি পাৰিছে। মুঠতে চাৰিওফালে আনন্দৰ জোৱাৰ। কেৱল বুবু, জিমিহঁতৰ দৰে নিমাষিত প্ৰাণীবোৰৰ মাজতহে আতংক।

ডনে সেইদিনা তাৰ প্ৰভুসকলৰ আনন্দ দেখি পৰম আনন্দ লাভ কৰিছিল। কণমইনাহঁতৰ লগত সিভোগ কৰিছিল বিভিন্ন জুতি লগা খাদ্য সম্ভাৰ। আজি তাৰ অকণো ভাল লগা নাই। জিমিয়ে কৈ যোৱা কথাখিনিয়ে তাক বৰ আমনি কৰিছে। জিমিৰ দৰে মুৰ্গী এজনীৰ ইমান সাহস ? জিমিয়ে কৈ যোৱা কথাবোৰ বাৰে বাৰে তাৰ মনলৈ আহিল।

"শুনা ডন ! আজি মই এখন সভাৰ পৰা আহিলো। তুমি প্ৰভুভক্ত হৈ দিনে নিশাই যাৰ সেৱা কৰি থাকা সেই তথাকথিত জীৱশ্ৰেষ্ঠ মানুহৰ বিৰুদ্ধে অনুষ্ঠিত হৈছিল সেই সভাখন। উদ্দেশ্য - যোৱা উৰুকাত আমাৰ দৰে নিমাষিত প্ৰাণীৰ হত্যাযজ্ঞৰ পোতক তোলা। সভাখন পতা হৈছিল ভোগালী ধামাকাৰ মুখ্য আকৰ্ষণ তেজাল পঠা অৰ্থাৎ বুবুহঁতৰ ঘৰৰ পিচফালে ধাননি পথাৰৰ মাজত থকা পুখুৰীটোৰ পাৰত। সভাত সভাপতিত্ব কৰিছিল বুবুৰ মাক লখিমীয়ে। আমাৰ চুবুৰীৰ সকলো গাহৰি, ছাগলী, হাঁহ, মুৰ্গী, পাৰ আদি সকলো পোহনীয়া জীৱ-জন্তু তাত গোট খাহিছিল। পুখুৰীত থকা চিতল, ৰৌ ভকুৱা, বৰালি, আৰি, কমনকাৰ্প, চিলভাৰ কাৰ্প আদি মাছেও পানী জুৱলিলৈ আহি সভাত যোগদান কৰিছিল। ওচৰৰে পানী মেটকনিত থকা শোল, শাল, মাগুৰ, শিঙি, কাৱৈ, গৰৈ পুঠি, খলিহনা, টোৰা, বটীয়া, মিছা, শিঙৰা, কান্দুলি, চেলেকনি, পানীমতুৰা, গঙাটোপকে ধৰি আন আন মাছবোৰেও নৈতিক সমৰ্থন আগবঢ়াইছিল। সভাত আগভাগ ললো মই নিজেই। মই ক'লো - শুনক ৰাইজ ! তথাকথিত জীৱশ্ৰেষ্ঠ মানুহবোৰে যোৱা উৰুকাত আমাৰ প্ৰাণীজগতৰ যি অপূৰণীয় অনিষ্ট সাধন কৰিলে আমি তাৰ পোতক তুলিব লাগিব । সকলোৱে সমস্বৰে গৰজি উঠিল। হয় হয় পোতক তুলিবই লাগিব। তেনেহলে মই কওঁ শুনক - পশ্চিমবঙ্গত আমাৰ মুৰ্গীবোৰে চুইচাইড স্কোৱাড গঠন কৰিছে মানুহৰ অনিষ্ট সাধিবলৈ। আমি পশ্চিমবঙ্গৰ পৰা চোৰাং বেপাৰীৰ জৰিয়তে সেই চুইচাইড স্কোৱাড আমদানি কৰিম। আমাৰ ইয়াতো নতুন নতুন চুইচাইড স্কোৱাড গঠন কৰিম। ফ্লু নামৰ পক্ষীজ্বৰ ৰূপী বোমাটো শৰীৰত ভৰাই লৈ মানুহৰ মাজত আতংক সৃষ্টি কৰিম। গাহৰিয়ে ক'লে- আমিও আমাৰ দেহত থকা ফিটাপেলুবোৰক অধিক সক্ৰিয় কৰি আমাৰ ফালৰ পৰাও চুইচাইড স্কোৱাড গঠন কৰিম। মাছবোৰেও ক'লে আমিও আমাৰ দেহত বিভিন্ন ৰোগৰ বীজাণু কঢ়িয়াই আনি আমাক খোৱা মানুহৰ অনিষ্ট সাধিম। তাকে শুনি অলপ দূৰত থকা পাচলিবোৰেও মাত লগালে মানুহবোৰে আমাৰ গাত নানা বিষাক্ত দৰব ঢালি আমাৰ দেহত যি অত্যাচাৰ চলায় তাৰ পোতক তুলিবলৈ আমি সিহঁতৰ পেটত সোমাই বদহজম, গেস্ট্ৰিক, পাথৰ আদিকে ধৰি নানা অচিন ৰোগৰ সৃষ্টি কৰি সিহঁতক তিল তিলকৈ হত্যা কৰিম।

সভানেত্ৰী লখিমীয়ে ৰায় দিলে - তেনেহ'লে, কথামতেই কাম হওঁক। মই সগৰ্বে ক'লো- আমাৰ মুৰ্গীবোৰে ইতিমধ্যে কামত লাগি গৈছে। পশ্চিমবঙ্গৰ পৰা আমদানিকৃত চুইচাইড স্কোৱাডৰ সহায়ত আমাৰ ইয়াতো চুইচাইড স্কোৱাড গঠন কৰি থকা হৈছে। দেহত সোমাই লোৱা ফ্লু নামৰ বোমাবোৰ বিস্ফোৰণ ঘটোৱাৰ সুযোগ বিচাৰি আলেঙে আলেঙে পিয়াপি দি ঘূৰি ফুৰিছে এই স্কোৱাডবোৰে। ডন ! শুনা ! তুমিও আমাৰ সমগোত্ৰীয় পোহনীয় জীৱ। তোমাৰ মাংস ইয়াত নেখালেও নগালেণ্ড আদি ৰাজ্যত এই ৰাক্ষসৰূপী মানুহবোৰে পৰম তৃপ্তিৰে ভক্ষণ কৰে। তুমি গিৰিহঁতৰ গোলামী ত্যাগ কৰি আমাৰ কামত সহায় কৰা। তথাকথিত জীৱশ্ৰেষ্ঠ মানুহক এইবাৰ এশিকনি দিবই লাগিব।"

"ডন ! ডন ! আহা, দৌৰি আহা। কি মন মাৰি বহি আছা।" কণমইনাৰ মাত শুনি ইমানপৰে জিমিৰ কথাবোৰ পাগুলি থকা ডনে সম্বিত ঘূৰাই পালে কণমইনাক সি বৰ ভাল পায়। কণমইনাইয়ো তাক বৰ মৰম কৰে। কুকুৰ বুলি তাক কেতিয়াও ঘিণ নকৰে। খাবলৈ আনি দিয়ে নানা জুতি লগা খাদ্য। পুৱা

গধূলি ফুৰিবলৈ নিয়ে। ডনৰ আজি দুখন নাৰঁত দুখন ভৰি। এফালে গিৰিহঁতৰ মৰম আনফালে জিমিহঁতৰ আহ্বান। প্ৰভুভক্তিৰ নামত সিহঁতে তথাকথিত জীৱ শ্ৰেষ্ঠ মানুহৰ গোলামী কৰা নাইতো ! - সি মনতে ভাবে।

***

# কেঁহুৰামৰ হুঁচৰি জোৰা

এইবছৰ ব'হাগৰ সেই দিনা একুৰি পাঁচ দিন। আঠ আৰু দহ বছৰীয়া ৰীতা আৰু ৰমেনে মানে নাতি-নাতিনীয়েক হালে এতিয়াও তজবজীয়া হৈ থকা আশী বছৰীয়া ৰমাকান্তক এক সপ্তাহমানৰ আগৰ পৰা কুটহি আছে- "ককা আমাৰ পাৰাৰ খেল ধেমালি কৰা ফিল্ডখনত আয়োজন কৰা ৰঙালী বিহু সন্মিলনত হুঁচৰি প্ৰতিযোগিতা পাতিছে নহয় । দিনৰ দুই বজাত আৰম্ভ হব বুলি নিমন্ত্ৰণী পত্ৰৰ কাৰ্যসূচীত লিখা আছে। মাইকোতো সন্ধিয়া ঘোষণা কৰোতে কৈ থাকে । আমিও আমাৰ পাৰাৰ হুঁচৰি দ'লটোত যোগ দি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাৰ কথা ভাৱিছিলো । মা আৰু দেউতা কি যে আৰু - আমাক যোগ দিবলৈ নিদিলে। দেউতাই হেনো অফিছ থকা বাবে প্ৰতিযোগিতা চাবলৈ যাব নোৱাৰে । মাও নাযায়। দিনত ঘৰুৱা কাম আছে হেনো । ৰাতি সাংস্কৃতিক সন্ধিয়ালৈহে যাব বোলে। আমাৰ পাৰাৰে সমনীয়াহঁতে প্ৰতিযোগিতাত ভাগ ল'ব । আমি চাবলৈ নগ'লে স্কুলত ইহঁতে আমাক জোঁকাৰা নামাৰিবনে ? দিনতে হব নহয় । কাৰণ সন্ধিয়া ঠিক ছয় বজাত হেনো মুকলি আৰু বঁটা বিতৰণী সভা হ'ব। আমি তেতিয়ালৈকে নাথাকো । আপোনাৰ একো অসুবিধা নহয় । আমাক প্ৰতিযোগিতা চাবলৈ লৈ যাব দেই ।"

ককাকে - দেখা যাওকচোন। বতৰ বা কেনে কৰে, আদি কৈ ইহঁতৰ আশাত পানী নাঢালিলেও উচ্ছাসতো সম্পূৰ্ণ হয় ভৰ নিদিলে। ইহঁতে তেতিয়া দোকোঁহ পাতি ইহঁতৰ অনুনয়-বিনয় বেচি জোৰদাৰ কৰে ।

সন্মিলনৰ দিনা সিহঁতে কাহিলি কাহিলি পুৱাতে মাক বাপেকৰ লগত শুৱা বিছনা এৰি ককাকৰ বিছনাত উঠি সিহঁতৰ মনৰ আশাৰ কথা সোঁৱাৰাই দিলেহি। ককাকেও তিনিটা চৰ্তত সন্মতি জনালে । প্ৰথম - বতৰ ভাল হ'ব লাগিব । দ্বিতীয় বিহুৰ পেণ্ডেলত সিহঁতে উৎপাত কৰি থাকিব নালাগিব । তৃতীয়-তেওঁৰ সন্মতিত সিহঁতৰ মাকেও অনুমোদন দিব লাগিব । সিহঁতে জানে ককাকৰ কথাত মাকে আপত্তি নকৰে। মাথো সিহঁতক লৈ তেখেতৰ অসুবিধা হ'ব নেকি বুলি এটা মৃদু ওজৰ তুলিব পাৰে আৰু সিহঁতে ককাকক আমনি কৰিলে চেকনিৰে পিঠিত দৰ্বান পিটা দিব বুলি সকীয়াই দিয়ে। সেয়েহে ককাকৰ সন্মতি পাই তেওঁক দুয়োইয়ে চুমা খাই নানা ৰং তামাঁছাৰে কিবা কিবি কোৱাত লাগিল ।

দিনটোৰ বতৰ ভালেই হ'ল । বোৱাৰীয়েকেও শহুঁৰেকৰ ইচ্ছা পূৰণত না-নকৰিলে। নাতি-নাতিনীয়েক হালে একমান বজাতে নিজৰ পোছাক নিজেই পিন্ধি মাকক একো আমনি নকৰি ককাকক ধূতি পাঞ্জাৱী চোলা পিন্ধি ওলাবলৈ খাটনি ধৰিলেহি । নাতি-নাতিনীয়েক হালে দেৰিয়ে হৈছে বুলি খেন্ খেন মেন্ মেন কৰিলেও ৰমাকান্তই দুইমান বজাত বোৱাৰীয়েকক মাত লগাই বাহিৰলৈ ওলাল । ঘৰৰ পৰা সন্মিলনৰ থলীলৈ অলপ বাট । ল'ৰা-ছোৱালী হালে উৰি যাওঁ যেন কৰি ককাকক বেগাই খোজ দিবলৈ কাবৌ-কাকুতি কৰিলে । সন্মিলনৰ আহল বহল মণ্ডপ পাই ৰমাকান্তই দেখিলে শ্ৰোতা দৰ্শক বহিবলৈ সজাই পৰাই থোৱা চকীবোৰৰ মাজে মাজে পাঁচ বছৰৰ পৰা বাৰ বছৰমানৰ ল'ৰা-ছোৱালী এজাকে দৌৰা দৌৰি কৰি খেলি আছে। ল'ৰা-ছোৱালী মখাৰ মাজৰে কিছুমান ল'ৰাক ধূতি – কামিজ পিন্ধি মূৰত গামোচা মাৰি থকা আৰু ছোৱালীক গাত ৰিহা মেখেলা, চাদৰ- ব্লাউজ, হাতত ৰূপালী বা সোণালী বৰণৰ গাম খাক, ডিঙিত বিড়ি লগাই লোৱা পোৱাল মণি গুঠা চেইন কাণত কেড আৰু চুলিত কপৌ ফুল পিন্ধি ইফালে সিফালে ঘূৰি ফুৰি থকা দূৰৰ পৰা দেখাত আচল যেনেই লাগে। বুজা গ'ল সেইবোৰ হুঁচৰি প্ৰতিযোগিতাৰ

প্ৰতিযোগী। ছোঁ ঘৰৰ কোনোবা একোণত কোনো ঘোষকে মাইকেৰে ঘোষণা কৰি আছে । " বিহু বলিয়া ৰাইজ আমাৰ হুঁচৰি প্ৰতিযোগিতাৰ কাৰ্যসূচী আমি অলপ পাছতে আৰম্ভ কৰিম । সেয়ে আপোনালোকক আমাৰ মণ্ডপত সজাই থোৱা আসন গ্ৰহণ কৰিবলৈ অনুৰোধ কৰা হ'ল । প্ৰতিযোগী সকলকো ছোঁ ঘৰলৈ আহি সাজু হৈ থাকিবলৈ অনুৰোধ কৰা হ'ল। বিচাৰক মণ্ডলী এতিয়াই আহি মঞ্চত উপস্থিত হবহি ।"

মঞ্চৰ আগফালে ৰমাকান্তৰ প্ৰায় সমবয়সীয়া দুজনমানে বহি কাৰ স্বাস্থ্য কেনে আছে খা-খবৰ লোৱাকে আৰম্ভ কৰি, বয়-বস্তুৰ মূল্য বৃদ্ধি, হিংসা, সন্ত্ৰাস আৰু মন্ত্ৰী বিধায়কে আশ্বাস আৰু তেওঁলোকৰ ল'ৰা কালৰ বিহু আৰু আজিকালিৰ বিহুৰ বিষয়ে সৰস কথা পাতি জীৱনৰ আবেলিৰ অৱসাদৰ বোজা কিছু সময়লৈ লঘু কৰিছে । ৰীতা আৰু ৰমেনক ঘূৰা ঘূৰি দৌৰা - ঢাপৰা কৰি নাথাকি চকীত বহি থাকিবলৈ কৈ ৰমাকান্তইয়ো সমনীয়া সকলৰ কাষতে বহি তেওঁলোকৰ আলোচনাত যোগ দিলে । নাতি-নাতিনীয়েক হালে সকলো ভৰসা দি ওচৰতে ভালকৈ বহি ল'লে । কিন্তু কোন সময়ত সিহঁতে বহা ঠাইৰ পৰা উঠি গ'ল ৰমাকান্তই তত ধৰিবকে নোৱাৰিলে । আঁতৰৰ পৰা পাৰাৰ প্ৰতিযোগীহঁতৰ স'তে কিবা কথা পাতি আপোন মনা হৈ থকা বা দৌৰা-দৌৰি কৰি থকাহে দেখিলে। তেওঁ উঠি গৈ পুৱাৰ দ্বিতীয় চৰ্তটোৰ কথা মনত পেলাই সিহঁতৰ সুখানন্দত ব্যাঘাত নজনমালে ।

এইদৰে এঘন্টামান সময় কটোৱাৰ পিছত মঞ্চত এটা মাইকৰ আগত থিয় হৈ কৃষ্টি সম্পাদকজনে সমুখৰ বৃদ্ধ সকলক মণ্ডপৰ আসনত বহি থকা কিছু তিৰোতা, চেমনীয়া আৰু উপস্থিত ল'ৰা-ছোৱালীবোৰক সম্বোধি ক'বলৈ আৰম্ভ কৰিলে। "এৰাব নোৱাৰা বিশেষ কাৰণত কাৰ্যসূচীটো সময়মতে আৰম্ভ কৰিব নোৱাৰাত সমিতিৰ বিষয়ববীয়া সকল দুঃখিত আৰু মই সমিতিৰ হৈ সদৌটিৰে ওচৰত ক্ষমা বিচাৰিছো।" ইয়াৰ পাছতে বিচাৰক সকলক চিনাকি কৰি গামোচা প্ৰদানেৰে সম্বৰ্ধনা জনাই মুখ্য বিচাৰকক প্ৰতিযোগিতাৰ নিয়মখিনি জনাই কাৰ্যসূচীটো চলাই নিবলৈ অনুৰোধ কৰিলে। মুখ্য বিচাৰকে প্ৰতি হুঁচৰি দলক বিশ মিনিট সময় দিয়া হ'ব বুলি কৈ অন্যান্য নিয়ম সমূহ বুজাই দিলে আৰু মুখৰ আগত থকা এখন কাগজ চাই প্ৰথম প্ৰতিযোগী দলক আহ্বান জনালে।

ৰমাকান্তহঁত থকা পাৰাৰ দলটোক ক্ৰম অনুযায়ী তৃতীয়বাৰত মতা হ'ল। মঞ্চৰ আঁৰ কাপোৰৰ সিফালৰ পৰাই ঢোল পেঁপা আৰু টকা বজাই এটা দহজনীয়া দল মঞ্চত উপস্থিত হৈ সমুখলৈ প্ৰণাম জনালে । দলটোত দুটি ঢুলীয়া, এটি পেঁপাবাদক, এটি খুটি তাল বাদক, দুটি টকা বাদক, দুটি শুদা হাতে আৰু দুজনী নাচনীৰে গঠিত। প্ৰণাম জনোৱাৰ পিছতে 'কলমৌ খাওঁতে বুঢ়া হনুমন্তে নগৰী কৰিলে চন - ঔ গোবিন্দায় ৰাম" ঘোষাটিৰ লগত কীৰ্ত্তনৰ প্ৰথম পদটিৰ দুষাৰমান ঘূৰি ঘূৰি গাই প্ৰথম নামষাৰ সামৰাত দুয়ো ঢুলীয়াই এটি ঘাট মাৰিলে আৰু বাকী ল'ৰা কেইজনে হাত মেলি নাচিলে। ইয়াৰ পাছতে বাঁহী লৈ থকা ল'ৰাটিয়ে আৰম্ভ কৰিলে-" পৰ্বতৰ ঢেকীয়া, চিৰিলি পতীয়া, মেকুৰীৰ কৰিবৰ মাও, এইবাৰৰ দায় দোষ, ক্ষমিবা দেউতা হস্তীৰো পিচলে পাও।" আকৌ এবাৰ ঢুলীয়াৰ এটা ছেও। হাতত একো বাদ্যযন্ত্ৰ নথকা ঢোলত ছেওত চাপৰি বজাই থকা এটা ল'ৰাই গালে "গিৰিপ গিৰিপ কৰি চাপি আহা নাচনী, কিহলৈ কৰিছা মন; আমি ল'ৰাহঁতে বিহুখন পাতিছো একোলৈ নাই ভয়। " লগে লগে নাচনী দুজনীয়ে হাত মেলি হাত দাঙি, ককালত হাত থৈ অৰ্ধ বৃত্ত কৰি ভৰি নচুৱাই, ঢোল বজাই হাত চাপৰি মাৰি থকা দলটোৰ মাজত নাচি নাচি গাবলৈ ধৰিলে 'ঢোলৰে নেজান ছেও, খোলৰো নেজানে ছেও, নাচনীৰ ছেওকে মাৰিব নেজান কাণে দি মাৰি যাও দেও।"

এইখিনি সময়তে বিচাৰক মণ্ডলীৰ মাজৰ এজনে হুঁচৰি সামৰিবৰ বাবে সময় হোৱাৰ সতৰ্কৰ ঘাটটো বজায় দিয়াত ধূতি-কামিজ পিন্ধি কাণত গামোচা লৈ সৰু কাঠৰ শৰাই এখন গামোচাৰে ঢাকি হুঁচৰি

দলটোৰ আগত থলে আৰু আঠুকাঢ়ি সেৱা কৰিলে। দলটোৱে বহি লৈ "এটা বাতিত নহৰু এটা বাতিত পনৰু, এটা বাতিত খুটৰা শাক, মূৰৰ চুলি ছিঙি আশীৰ্বাদ কৰিছো গৃহস্থ কুশলে থাক" বুলি গীত গাই থিয় হৈ এটি ল'ৰাই বঁটাটোৰ পৰা কিবা এটা লোৱাৰ নিচিনা কৰি এটি এটিকৈ শাৰী পাতি মঞ্চৰ পৰা গুচি গ'ল।

মাইকত কোনোবাই ঘোষণা কৰিলে- "আমাৰ হুঁচৰি প্ৰতিযোগিতাৰ অন্ত পৰিল। বিচাৰকৰ বিচাৰৰ ফলাফল অলপ পিছতেই ঘোষণা কৰা হ'ব। মুকলি সভাৰ পিছত সাংস্কৃতিক কাৰ্যসূচী আৰম্ভ কৰা হ'ব। এই বছৰৰ নামী দামী শিল্পীসকলে গীত পৰিৱেশন কৰা এই অনুষ্ঠানত সদাশয় ৰাইজৰ সহযোগ কামনা কৰা হ'ল।

ইতিমধ্যে সাজ লাগিল। ৰভাঘৰ আধাভাগ ডেকা-গাভৰু, বোৱাৰীয়ে ভৰি পৰিল। বয়সিয়াল সকলে ঘৰমুৱা হ'বলৈ ধৰিলে। ৰমাকান্তইও নাতি-নাতিনীহালক লৈ ঘৰলৈ ঘূৰি যাবলৈ ধৰিলে। বাটত সাংস্কৃতিক অনুষ্ঠান চাবলৈ যোৱা লোকে লোকাৰণ্য । তেওঁলোকে লাহে লাহে ঘৰমুৱা হওঁতে নাতিনীয়েকে সুধিলে- পাৰাৰ দলটোক শেষত গাব দিলেও প্ৰথম নহ'বনে বাৰু ? তেওঁ সেইটো বিচাৰকৰ বিচাৰৰ ওপৰত নিৰ্ভৰ কৰিব বুলি কওঁতেই নাতিনীয়েকে জনালে যে তাই পাৰাৰ হুঁচৰী দলটোৰ গীত, নৃত্য আৰু বাদ্যৰ সুৰ চলি থাকোতেই হেনো ঈশ্বৰক তাই প্ৰাৰ্থনা জনাইছিল দলটোক প্ৰথম কৰি দিবলৈ। ঘৰ পোৱাত বোৱাৰীয়ে পুতেক-জীয়েকক মুখ, হাত, ভৰি ধুই কাপোৰ সলোৱাৰ পাছত ভাত খুৱাই ককাকৰ বিছনাতে সেই ৰাতিলৈ শুৱলৈ নিৰ্দ্দেশ দিলে । ইয়াৰ পিছত শহুৰেককো ৰাতিৰ আহাৰখিনি খুৱাই বোৱাই সাংস্কৃতিক অনুষ্ঠানলৈ যাবলৈ সাজু হোৱাত লাগিল । ৰমাকান্তই নিজৰ বিছনাখনৰ কাষ চাপি হাত ভৰি মেলি ল'ৰা-ছোৱালী হালক নিৰ্ভয়, নিৰাপদ, সন্তোষ আৰু পৰিতৃপ্তিৰ ভাবত শুই থকা দেখি এক অনিৰ্বনীয় পুলকৰে নিজেও সিহঁতৰ কাষতে কাতি হ'ল। এনেদৰে থাকোতে গাঁৱৰ ল'ৰা কালৰ সমনীয়া বিহুৱা কেঁহুৰামলৈ মনত পৰিল.....।

কেঁহুৰাম ৰমাকান্তৰ সমনীয়া সৰুকালত গাঁৱৰ একেটা চুকতে জন্ম হৈ হাঁহি-কান্দি, ৰং-ধেমালি কৰি, বোকাত লুতুৰি-পুতুৰি হৈ এদিন চেমনীয়া হৈছিল। দশম শ্ৰেণীলৈকে পঢ়ি সি শৈক্ষিক জীৱন শেষ কৰিলে খেতি বাতিত দেউতাকক সহায় কৰিব লগা হোৱাত। দহ বছৰ মানৰ পৰাই সি বিহু গীত গোৱাত পাকৈত হৈ পৰিছিল। ৰঙালী বিহুৰ সময়ত ডেকাহঁতে পতা হুঁচৰি জোৰাত সি পাছে পাছে গৈছিল। মাজ নিশা হোৱাৰ আগতে তাক জোৰ কৰিহে ঘৰলৈ পঠাব লগা হৈছিল।

সি নিজে যেতিয়া ডেকাৰ শাৰীত উঠিল বছৰেকৰ গাঁৱত হুঁচৰি জোৰাৰ দায়িত্ব যেন তাৰ গাত স্বভাৱগত হৈ পৰিল। চ'ত সোমাল কি নোসোমাল বিহু নাম গাই গোটেই গাঁওখন ইমূৰৰ পৰা সিমুৰলৈ সন্ধিয়া ঘূৰি গাঁৱৰ সকলোলৈকে বছৰটোৰ বিহুৰ বাবে সম্ভ্ৰম কৰি দিয়াতো তাৰ যেন অলিখিত কৰ্ত্তব্য হ'ল। "বিহুৱতী চৰাইয়ে কৰে বিহু বিহু আমাৰ বিহু কাপোৰ নাই; লগৰ সমনীয়াই সুধিলে কিযে কম সৰুতে মৰিলে আই।" আদি ৰঙালী বিহুৰ আগজাননী বৰ্ণোৱা নানা গীত সুললিত কণ্ঠৰে গাই গাই গাঁৱৰ সমনীয়া ঢুলীয়া পেঁপা গগনা আদি বাদকহঁতৰ লগত বছৰেকৰ হুঁচৰি জোৰাৰ বিষয়ে আলোচনা বিলোচনা আৰু পৰিকল্পনাত লাগি যায় চ'ত সোমোৱাৰ লগে লগে । এই সময়ত কিবা কাৰণত গাঁৱৰ মানুহে গধূলি তাৰ কণ্ঠৰ বিহু নাম নুশুনিলে কিবা এটাৰ অভাৱত গাঁওখন ৰিংৰিঙিয়া হৈ পৰা যেন অনুভৱ কৰে। তাক বিহুৱতী চৰাই বুলি জোকোৱা সমনীয়া গাভৰুজাকক সেই অভাৱনীয় নিজম গধূলিটোনো কিয় হ'বলৈ পালে তাৰ উহ্‌টো তাৰ পৰাই লয়।

চ'তৰ প্ৰথম সপ্তাহতে ঢুলীয়া কেইটাৰ স'তে ঢোল কেইটা ঠিক আছেনে নাই খবৰ কৰে। যি কেইটা ঢোলৰ বৰটি নতুকৈ লগাব লগীয়া হয় নতুনকৈ লগোৱাই লয়। বৰটি টনাব লগা কেইটাৰ টনায়।

কোনোবাটোৰ ছাল ফাটিলে নতুনকৈ ছোৱাই লয়। হুঁচৰি জোৰাত কমেও তিনি জোৰা ঢোল থাকিবই লাগিব যাতে ৰাতি ঢোলৰ শব্দই গোটেই মৌজাটোত হুঁচৰি মৰা দিন কেইটাত গিৰ্জিনি তুলি ৰাখে। সেইদৰে মহৰ শিঙৰ পেঁপা কেইটাৰ চুপহি গগনাৰ জৰি ঠিকে ঠিকে আছেনে নাই তাৰো খবৰ লয় । মোকাল বাঁহ কাটি এই কেইদিনতে কমেও চাৰিটা টকা নতুনকৈ বনায়।

কেঁহুৰামে লগৰ লগৰীয়াহঁতক লগ ধৰি গাঁৱৰ পুথিভড়াল ঘৰৰ বাকৰিতে চ'তৰ দহ দিনৰ পৰাই হুঁচৰিৰ আখৰা চলায়। এটা দিনো খতি হ'বলৈ নিদিয়ে। কেনেবাকৈ বৰষুণ দিলে পুথিভড়ালৰ ভিতৰতে আখৰা পাতে। আখৰা মুনি চুনি পৰতে আৰম্ভ কৰি মাজনিশাৰ আগে আগে সম্পন্ন ঘটায়। বিয়াৰ আগতে মাকে কেঁহুৰামলৈ খোৱাঘৰৰ জুহালৰ কাষতে পীৰা এখনত ডাঙৰ কাঁহৰ কাঁহি এখনত ভাত সাজি শাকৰ বাতিৰ ওপৰত তুলি অন্য এখন কাহিৰে ঢাকি সজায় থয় । সি আখৰাৰ পৰা আহি কাৰো টোপনি নভঙাকৈ সজায় থোৱা ভাত খায় কাঁহি-বাতিজোৰা ধুই মেলি শেতেলিত পৰেগৈ । বিয়াৰ পিছত অৱশ্যে কথাতো অলপ বেলেগ হ'ল। গাঁৱৰে গাভৰু শেৱালিৰ মন পাই কেঁহুৰামে সমনীয়াৰ হতুৱাই কথাটো মাক দেউতাকৰ কাণ চোৱালে। ছোৱালীয়ে যেতিয়া পুতেক পিলিঙা ডেকালৈ মনেই কৰিলে, মাক-দেউতাকেও বাটত বগৰী জেং নিদি দুয়োজনাৰে সংসাৰ পতাত সন্মতি জনাই শেৱালিকে বোৱাৰী ৰূপে সাদৰি আনিলে। বিয়াৰ পিছত দুবছৰমানলৈ শহুৰ শাহুৱেকক খুৱাই বোৱাই লগাই লোৱা গামোচা ধুতিৰ বাবে বিহু নামকে গুণগুণাই মহুৰা বটি বটি শেৱালিয়ে কেঁহুৰাম হুচৰিৰ আখৰাৰ পৰা অহালৈ ৰৈ থাকে। আহি পালে নানা সৰু সৰু কথাৰে ৰগৰ তুলি একেলগে ভাত খাই লৈ কেঁহুৰামে মুহুদি কৰে মানে শেৱালিয়ে কাঁহি-বাতিযোৰা ধুই পখালি লয়। তাৰ পিছতে দুয়ো একেলগে শুৱনী ঘৰত সোমায় । কেচুৱা হোৱাৰ পাছত শেৱালিৰ আচৰণ কিছু লৰিল। কেচুৱাৰ জট ভাঙি শহুৰ শাহুৰ আলপৈচান ধৰি ঘৰৰ কাম বনবোৰ কৰাৰ লগতে বিহুৰ বাবে লগোৱা তাঁতখনৰ মাকোঁ মাৰি গধূলিলৈ শেৱালি ভাগৰি পৰে। সেয়ে কেঁহুৰাম আখৰাৰ পৰা অহালৈ যঁতৰটো লৈ বা ঢেকীত ধান পেলাই পৰাল দি ৰৈ থাকে যদিও কেঁহুৰাম আহি পালে আগৰ দৰে আদৰৰ মনটো নাথাকে গৈ। বৰংচ কেতিয়াবা হেকাতনৰ সুৰতহে কয়। বিধাতাই ভাল বিহুৱাটোৰ স'তে সংসাৰখন পাতি দিলে। স্বভাৱটো এইদৰেই থাকিলেই অমুকীয়ে কটনা কাটিও ভাত মুঠি জোগাৰ কৰিব নোৱাৰিম যেন পাইছো । কেঁহুৰামে একো মাত নেমাতে। উলিয়াই দিয়া ভাতখিনি খাই মুহুদি কৰি কেচুৱা ল'ৰাৰ একাষত শুই পৰে। শেৱালিয়ে উলিয়াই লোৱা কামখিনি সামৰি সুতৰি গিৰিয়েকে খাই থোৱা কাঁহি-বাতি ধুই কেচুৱাক মাজত লৈ অন্য কাষে কাতি হয়।

সিহঁতৰ দুটি ল'ৰা সন্তান। বিহু গ'লে খেতি বাতিত মন দি লগা কেঁহুৰামে ঘৰখনৰ কেউটাই এদানি এবানিকৈ থাই পোহনীয়া হাঁহ, কুকুৰা, পাৰৰ জাককো খুৱাই বছেৰেকত ভালেখিনি ধান বিক্ৰি কৰিব পাৰে। ছাগলী আৰু গাই গৰুও পোহে। ঘৰটো ঘেৰি থকা আহল বহল বাৰীখন পান তামোল, আম-কঠাল, আনাৰস, লেতেকু, পনিয়াল আদি নানা ফলেৰে উভৈনদী। হাঁহ-কুকুৰা পাৰ ছাগলীৰ লগতে বতৰত হোৱা ফল নিজে আমনি লগাকৈ খাইও বহুখিনি বিক্ৰি কৰে। ইয়াৰ আৰ্জনেৰে ঘৰখন সুকলমে চলাই ডাঙৰটো ল'ৰাক গাঁৱৰে স্কুলত বিষয় শিক্ষক আৰু সৰুটোক ডাক্তৰ কৰিলে। শেৱালিয়ে কটনা কাটি খুৱাব লগা নহ'ল। কেঁহুৰামেহে চুপতি মাৰিব পৰা হ'ল - হেৰ অমুকাক বিহুৱা অকামিলা বুলি ইতিকিং কৰি নিজে কটনা কাটি খুৱাব লাগিব বুলি হেকেতিয়াইছিলি নহয় অমুকাৰ জোৰত দেখুন এতিয়া মাষ্টৰ আৰু ডাক্তৰৰ মাক বুলি পেখন ধৰিহে ফুৰে।

শেৱালিয়ে অৱশ্যে পৰি নিদিয়ে। লগে লগে উত্তৰ দিয়ে - অমুকীয়ে বাপেক পুতেক তিনিওটাকে কেটকেটাই, কেপকেপাই কথা চোৱাই দাঁত ক্ষয় নিনিয়া হ'লে নিজে গঙাটোপটো যেন হৈ উফন্দি ফুৰিব জানো পাৰিলেহেঁতেন।

চ'তৰ সংক্ৰান্তি গৰু বিহুৰ আগদিনাই হুঁচৰি আখৰাৰ শেষ দিন। সেইদিনাই ঠিক হয় হুঁচৰি মাৰি থকাৰ দিন কেইটাত হুঁচৰি জোৰাত কাৰ কাৰ উপস্থিতি অনিবাৰ্য্য। নাচনি হ'ব লগা ল'ৰা কোন কোন হব। মেখেলা চাদৰ, চুলি আৰু হাতৰ সৰু গাঁঠিত মাৰি ল'বলৈ ৰঙা ৰুমাল ঠিক হৈছে নে নাই। প্ৰাইমাৰী স্কুলৰ প্ৰধান শিক্ষক দলপতিজনে হুঁচৰিত পোৱা অৰিহনা, কাপোৰ গামোচা আদিৰ হিচাব ৰাখিবলৈ বহীৰ যোগাৰ হৈছে নে নাই। হুচঁৰি জোৰাৰ লগত লৈ ফুৰিব লগা কেৰাচিনৰ লেম কেইটাৰ দায়িত্বত কোন কোন থাকিব আদি সকলো বিষয় আলোচনা কৰি সিদ্ধান্ত লৈ ভাগে ভাগে দায়িত্ব দিয়া হয়। কাৰোবাৰ বিশেষ অসুবিধা নহ'লে এই সিদ্ধান্তৰ একো লৰচৰ নহয়।

"চ'ত চকৰি বহাগ বগৰি জেঠত আমনা ধান, গৰু বিহুৰ দিনা লবি আশীৰ্বাদ তেহে পাবি বৈকুণ্ঠত থান।" এই বিহু নামযাৰী সাৰোগত কৰি গোটেই হুঁচৰি দলটোৱে দুপৰ সময়তে গাঁৱৰ বৰ নামঘৰত গোট খোৱা বয়োজ্যেষ্ঠ সকলৰ আগত সেৱা লৈ বেলি লহিয়াবলৈ ধৰোতে বৰমেধিৰ চোতালত উপস্থিত হয়গৈ। বৰমেধিৰ ঘৰৰ সকলো লোকও অনুৰূপ সাজুহৈ থাকে। হুঁচৰি দলে ঘূৰণীয়াকৈ শাৰী পাতি "জয় জয় জয়তে বৰমেধি দেউতাৰ ঘৰতে প্ৰথমে হুঁচৰি মাৰো ঐ গোবিন্দায় ৰাম" বুলি নাম জোৰোতেই ঘৰৰ আহল বহল পিৰালিত উলিয়াই ৰখা ঢাৰিত দলৰ মুখিয়াল কেইজনক বহিব দি মেধি মেধিয়নীও ঘৰৰ নাতি নাতিনীহঁতৰ সৈতে বহি লয়। ভিতৰত বোৱাৰীহঁতে আগতে কাটি থোৱা তামোলৰ বঁটাটো কোনোবা এজনৰ হাতত দি পঠাই চাহৰ কেটলীৰ তলত জুঁই দিয়েগৈ। সুৰুঙা চাই মাজে মাজে খিৰিকিৰে বা দুৱাৰ মুখৰ পৰা বিহুৰ নাম বাদ্যৰ মাত আৰু নৃত্যৰ ৰস লয়। বোৱাৰীহঁতে দি পঠোৱা তামোলৰ বঁটাটো লৈ ঘৰৰ কোনোবা এজন পুৰুষে বিহু নাম গাই ঢোল পেঁপা বজোৱা হুঁচৰি দলটোৰ মাজে মাজে ঘূৰি পান তামোল, চুঙাত দিয়া ধপাত আদি দি ফুৰে।

প্ৰথম নাম ধৰাৰ পাছতে বিহু নাম গাই থাকোতে কিবা দোষ হ'লে ক্ষমা কৰিবৰ বাবে এনে ধৰণৰ নাম গায়- "ছাগে ছেলাবৰ, ডবুৱা কটাৰী- পহু ছেলাবৰ মিট, বৰমেধি দেউতা দায় দোষ এৰিবা গাই যাওঁ বতৰৰ গীত।" ইয়াৰ পিছত ঢোল মৰাৰ কৌশল আদিৰ বৰ্ণনা থকা নাম ঢোলকে বাবলৈ ধৰে- তিনিটি আঙুলি মাজৰটি আঙুলি লৰে, যেতেকে লৰিব পুৰুষৰ আঙুলি, তেতেকে জেউতি চৰে। আদি গাই এটা দীঘলীয়া ঢোলৰ ছেও মাৰে। ইয়াৰ পিছতে কোনোবাই নাচনি সম্পৰ্কীয় "বিহুতলীৰ নাচনী কোন ঐ নাচনী বিহুতলীৰ নাচনী কোন; বিহুতলীৰ নাচনী আমাৰ সৰু আইতি খোপাত বান্ধি লৈছে সোণ।" এনেধৰণৰ এটি নাম গোৱাৰ লগে লগে নাচনীৰ সাঁজ পিন্ধা ল'ৰা কেইটাই নাচি নাচি হুঁচৰিৰ মাজলৈ আহে আৰু নাচনীয়ে ঢুলীয়া পেঁপাবাদক আদিক জুৰি নাম গায় আৰু বাদ্যবাদক সকলে নামৰেই প্ৰত্যুত্তৰ দিয়ে। এইদৰে নাম গাই থাকোতে ডেকা গাভৰুৰ অঙ্গৰাগ, অনুৰাগ, প্ৰেম, প্ৰীতি সম্পৰ্কীয় দুই এষাৰো নাম গায়। এইখিনি আনন্দ কৰাৰ পিছত "ঢোলে যে কৰিব ধিমিকি ধিন দাও, মৃদঙে কৰিব তাও, কাটিনি তাতে যে আমনি কৰিব বিদায় দিয়ক ঘৰলৈ যাওঁ।" বুলি নাম গাই গৃহস্থক হুঁচৰি যে সামৰিব খুজিছে তাৰ ইঙ্গিত দিয়ে। প্ৰথমবাৰ নামতে গিৰিহঁতে যদি বিদায় দিবৰ ইচ্ছা নকৰে তেতিয়া শৰাইত বেচিকৈ টকা পইচা চেলেং কাপোৰ গামোচা আদি খুজি ধেমালিৰ নাম গায়। নহ'লে বিহু নামেৰেই বিদায় দিবলৈ জোৰ কৰি তামোল পান টকা গামোচা উলিয়াই দিবলৈ ধেমালিৰ নামবিলাক গায়।

তাহানিখনত কোনোবাৰ ঘৰলৈ ন-বোৱাৰী আনিলে হুঁচৰি, তামোল-পান আৰু অৰিহনাৰ লগত গামোচা আৰু চেলেং চাদৰ দিব নোৱাৰাটো গৃহস্থৰ বাবে লজ্জাজনক আৰু দুৰ্ভাগ্যৰ কথা বুলি বিবেচনা কৰা হৈছিল। সেয়েহে নকইনাই যাতে শৰাইখন সম্পূৰ্ণ কৰি দিব পাৰে তাৰ বাবে যত্নৰ ত্ৰুটি নকৰে। শেহত হুঁচৰিৰ দলটোৱে বহি দিয়ে আৰু যি ঘৰত হুঁচৰি গোৱা হয় সেই ঘৰৰ সকলোৱে সেৱা লয় আৰু

আশীৰ্বাদ সূচক নাম আদিৰে হুঁচৰি সামৰে। ইয়াৰ পিছত গৃহস্থই আগবঢ়াই দিয়ে জা-জলপান আৰু পিঠা-পনা। গাঁওখনৰ কাল সংহতিৰ পথা হুজৰ কি ঘৰে অন্য জা-জলপানৰ লগতে হুঁচৰিলৈ বুলি বৰা চাউলৰে বনোৱা হালধি বৰণ পৰা মৌমিঠা সাজৰ বৰ মাটি কলহটোও আগবঢ়াই দিয়ে কেইটামান কাঁহৰ খুৰি বাতিৰ স'তে। সকলোৱে এবাতি এবাতি খায়। কোনোৱেই আবোল তাবোল নবকে। খোজও লৰক ফৰক নহয়। কেতিয়াবা কেনেবাকৈ কোনোবাৰ ব্যতিক্ৰম হলে ওচৰৰ কোনোবাৰ ঘৰত শুৱাই থৈ যায়। পুৱা সাৰ পালে নিজৰ ঘৰলৈ যায়গৈ। হুঁচৰি জোৰাই গাঁওখনৰ এঘৰকো বাদ নিদিয়ে।

মুছলমান সম্প্ৰদায়ৰ চুবুৰীটোত হুঁচৰি মাৰোতে কল জহা চাউলৰ পোলাও বা চুজিৰ হালোৱাৰ লগত তিল পিঠা আৰু তিলৰ লাৰু দিয়ে। সকলোৱে তৃপ্তিৰে খায়। সেই চুবুৰীটোত দুজনমান ভাল বিহুৱা আছিল। দুজনমানৰ নাচনী হোৱাৰ চখহে বেছি আছিল।

এইদৰে প্ৰতি ঘৰে ঘৰে ৰাতিপুৱাৰ পৰা সন্ধিয়ালৈ হুঁচৰি মাৰোতে মাৰোতে কেতিয়াবা কেতিয়াবা বহাগৰ শেষতহে হুঁচৰি উৰুৱাব পাৰিছিল। হুঁচৰি উৰুৱা দিনটোত নিজ নিজ ঘৰৰ চাউল, শাক পাঁচলি আনি ডেকা গাভৰুবোৰে পথাৰৰ চাপৰিত ভোজ ভাত খাইছিল। কোনোৱে কোনোৱে হাঁহ কুকুৰাও দিছিল ভোজ ভাতলৈ। হুঁচৰি গাঁওতে উঠা পইচাৰ এটাৰো হেৰফেৰ নহৈছিল। কাপোৰ গামোচা যি উঠিছিল তাকো বিক্ৰি কৰি ইয়াৰ লগত যোগ দিছিল। এই ধনেৰে নামঘৰটো, স্কুলঘৰটো আৰু পুথিভড়ালটো নতুনকৈ বনাইছিল। পুথি ভড়ালৰ বাবে নতুন কিতাপ, কেৰেম ব'ৰ্ড আদিও কিনিছিল। এটা অংশ আগৰ বছৰলৈ ৰাহি কৰি ৰাখিছিল ঢোল পেঁপা গগনা ভাল কৰা নামত।

এইদৰেই গাঁওখনৰ হুঁচৰি জোৰাৰ মাজেদিয়ে সকলোৱে আনন্দ উপভোগ কৰিছিল আৰু ইজনে সিজনৰ প্ৰতি প্ৰেম শ্ৰদ্ধা, ভক্তি নিবেদন কৰিছিল। এই সকলোবোৰ সম্পাদনা কৰাৰ সুযোগ আনি দিয়াৰ মধ্যমণি আছিল কেঁহুৰাম।

জীৱন আৰু জীৱিকাৰ বাট বিচাৰি নগৰীয়া হোৱাৰ আগতে ঘনকান্তইও এই হুঁচৰি জোৰাত সক্ৰিয় ভাও লৈছিল আৰু নিজৰ গাঁওখনৰ বহুতো সুখ দুখৰ ডুখুৰীয়া ছবি মনৰ সঁফুৰাত সহজাতভাৱেই সাঁচি থব লগা হৈছে। জীৱনৰ গধূলি বেলাত মনৰ পেৰাত ঠাহ খাই থকা এই ডুখুৰীয়া ছবিবোৰ দেখোন অস্তমিত আদিত্যৰ কিৰণে অস্তগিৰি, উজ্বলাই তোলা হেঙুলীয়া ৰঙৰ দৰেই মন আকাশক অনিৰ্বচনীয় আভাৰে বিকশিত কৰে।

এইদৰেই গাঁৱৰ হুঁচৰি জোৰাৰ কথা মনত পেলাই ৰমাকান্ত এসময়ত টোপনিত লালকাল দি পৰিল। আগফালৰ দুৱাৰত তলা লগাই সাংস্কৃতিক সন্মিলন চাবলৈ যোৱা পুতেক-বোৱাৰী কেতিয়া ঘূৰি আহিল গমকে নেপালে। চকু মেলি দেখে অংশুমানৰ অংশুৱে চলমান জগতক একেই গতিৰে একেই প্ৰাকৃতিক পৰিৱেশত ৰঞ্জিত কৰি আৰু এটা নতুন দিনৰ সূচনা কৰিছে নতুন প্ৰত্যয়ৰে.....।

***

# এটি অপৰেচনৰ অন্তত

দেহ মনৰ অস্থিৰতা একেবাৰে সহিবই নোৱাৰা হৈ পৰিছো। জন্মৰ পৰা চাৰি বছৰ বয়সলৈকে কিমান সুখত দিন কটাইছিলো। মা- দেউতাৰ মৰমৰ মাজত কিমান উমলিছিলো, আইতাৰ মুখৰ পৰা সাধুকথাবোৰ শুনি ৰাণী হোৱাৰ সপোন দেখিছিলো। দেশ শাসন কৰিবলৈ মন গৈছিল আৰু এতিয়া চাৰিওঁফালে মাথো ক'লা ডাৱৰ। মোক যেন আন্ধাৰৰ অমানিশাই আৱৰি ৰাখিছে। চৌপাশে যেন বিয়পি আছে মা-দেউতাক অকালতে হেৰুৱাৰ কৰুণ বেদনা। মোৰ ভালদৰে মনত আছে যিদিনা মোৰ মা-দেউতাক পুলিচে আহি তেওঁলোকৰ জীপছি কাৰখনত উঠাই লৈ যোৱাৰ দৃশ্য। মই কান্দি কান্দি কিমান অস্থিৰ আৰু ভাগৰুৱা হৈ পৰিছিলো সেয়া মোৰ আজিওঁ মনত আছে। 'মা' 'মা' বুলি মাটিত বাগৰি বাগৰি কান্দিছিলো কিন্তু তেওঁলোকৰ মোৰ প্ৰতি কোনো ভ্ৰূক্ষেপ নাছিল। মোৰ কৰুণ অৱস্থা দেখি মা দেউতাৰ চকুৰে বাগৰি পৰা প্ৰতিটো চকুৰ টোপোলা মোৰ হৃদয়ত একো একোটা মুকুতা সদৃশ হৈ আছে। পিতৃ - মাতৃক শৈশৱ কালতে হেৰুৱাৰ যন্ত্ৰণা কিমান গধুৰ মোৰ চাৰি বছৰীয়া মনটোৱে বুজিব পাৰিছিল। মোৰ ব্যাকুলতা দেখি আইতাইয়ো কান্দিছিল। আইতাইয়ো জনা নাছিল মা-দেউতাক পুলিচে আহি কিয় লৈ গৈছিল ? যদিওঁ দুই চাৰি বছৰীয়া শিশু আছিলো তথাপিওঁ অনুভৱ কৰিছিলো মা-দেউতা আবিহনে জীৱন কিমান নিঃসহায়। পিছত জানিব পাৰিছিলো মা-দেউতাই কোনোবা দেশদ্ৰোহী মন্ত্ৰীৰ বিৰুদ্ধে আদালতত সাক্ষৎ দান কৰিব বিচাৰিছিল আৰু তেওঁৰ বিৰুদ্ধে আৰক্ষী চকীত গোচৰ ৰুজু কৰিছিল। মা-দেউতাই এদিন নিজ চকুৰে দেখিবলৈ পাইছিল সেই সময়ৰ বিত্তীয় মন্ত্ৰী অৰ্ণৱ যাৰ ফলত কোটি কোটি টকাৰ দেশীয় সম্পত্তি নাশ হৈছিল আৰু বিস্ফোৰণ ঘটোৱাৰ বহু আগতে বহু তেল আত্মসাৎ কৰিছিল। বিস্ফোৰণ সংঘটিত হোৱাৰ পিছত যেতিয়া পুলিচ আহি ঘটনাস্থলীত উপস্থিত হৈছিল তেতিয়া মোৰ মা-দেউতাই কোনে এই বিস্ফোৰণ ঘটালে সেই বিষয়ে তেওঁলোকে জনা বুলি কৈছিল আৰু তাৰ উপযুক্ত প্ৰমাণ থকা বুলিও কৈছিল। মোৰ মা দেউতাও সঁচাকৈয়ো সমাজ সচেতন আছিল আৰু সেয়ে তেওঁ ম'বাইলত আটাইখিনি ঘটনাৰ বিৱৰণী আৰু অৰ্ণৱ দুৱৰাই নিজে তেল পাম্পলৈ বোমা দলিওৱাৰ দৃশ্য ৰেকডিং কৰিছিল। মা-দেউতাৰ বিষয়ে অৰ্ণৱ দুৱৰাই পিচদিনাখন বাতৰি কাকতৰ জড়িয়তে জানিব পাছিল। মা-দেউতা যি বিপদৰ আশংকা কৰি ম'বাইলত ৰেকডিং কৰি ৰখা তথ্যখিনিৰ বিষয়ে কোৱা নাছিল সেই বিপদ মুহূৰ্তৰ ভিতৰতে প্ৰতিফলিত হৈছিল। মন্ত্ৰী অৰ্ণৱ দুৱৰাই নিজৰ দলৰে সহযোগী কেইজনমানক পুলিচৰ সাজ পৰিধান কৰাই মা-দেউতাক অপহৰণ কৰি নিছিল। সেই দিনটোৱে আছিল মোৰ মা-দেউতাৰ শেষ দিন, মোক এবাৰ চোৱাৰ মোৰ কান্দোনৰ কৰুণ সুৰ শুনাৰ কিন্তু অৰ্ণৱ দুৱাৰ তুমি আজি হাৰি গ'লা।

মই এতিয়া ওঠৰ বছৰীয়া এগৰাকী কলেজীয়া ছোৱালী। আইতাওঁ এতিয়া অসুস্থ হৈ পৰিছে। আজি মোৰ জন্ম দিন। জন্মদিনৰ উপহাৰ হিচাপে আইতাৰ অৱস্থাৰ বিষয়ে জানি মই কোনো ডাঙৰ আৰু নতুন উপহাৰ বিচৰা নাছিলো। আইতাৰ পৰা বিচাৰিছিলো মোৰ শৈশৱকালৰ পুৰণা খেলনা সামগ্ৰীবোৰ, যিবোৰ মই মা-দেউতাক হেৰুৱাৰ দিন ধৰি এবাৰো চুই চাব পৰা নাছিলো। নিমন্ত্ৰণ পাই আত্মীয় স্বজন, বন্ধু বান্ধৱী সকলোবোৰ আমাৰ ঘৰত উপস্থিত হৈছিল। আইতাই পোৱা পেঞ্চনৰ টকাখিনিৰ পৰা কমকৈ হ'লেও এটা অংশ মোৰ জন্মদিন পালন কৰাৰ বাবে আইতাই জমা কৰি থয়, সেয়ে সৰুকৈ হ'লেও মোৰ জন্মদিনটো ভালদৰে অতি সহজভাৱে পালন কৰিব পাৰো।

আইতা খুব হিচাবী মহিলা । মোক পঢ়ুৱাইছে ঘৰখনো চলাইছে, মোৰ যেন একোৰেই অভাৱ নাই । জীৱনৰ বেছিভাগ সময়েই মই আইতাৰ লগত পাৰ কৰিছো। মা-দেউতাৰ পৰা পাবলগীয়া মৰম মই আইতাৰ পৰাই পাইছো । প্ৰথমে মই আইতাৰ পৰা জন্ম দিনৰ উপহাৰ বিচৰাত মই বিচৰামতে আইতাই মোৰ শৈশৱকালৰ খেলা সামগ্ৰীবোৰৰ স'তে সেই গোপন তথ্য থকা ম'বাইলটো মোৰ হাতত তুলি দিছিল । ম'বাইলটো আইতাই মোৰ খেলনা সামগ্ৰী বুলিয়েই ভাৱিছিল । সুখ দুখৰ মাজেৰে মোৰ জন্ম দিন পাৰ হৈ গ'ল । আত্মীয়-স্বজন আৰু বন্ধু - বান্ধৱীবৰ্গক বিদায় দি মই ম'বাইলটো লিৰিকি বিদাৰি চাঁই হঠাতে আৱিস্কাৰ কৰিব পাৰিছিলো যে ম'বাইলটো অৰিজিনেল । ম'বাইল চুইচ অন কৰিয়েই মই সেই মৰ্মান্তক ঘটনাৰ বিৱৰণ আৰু দৃশ্য দেখি অতি আনন্দিত হৈ পৰিছিলো । মই মনতে ভাৱিছিলো অৰ্ণৱ দুৱৰা তুমি হাৰি গ'লা । তোমাৰ সত্যতা মই সমাজৰ আগত দাঙি ধৰিম । তোমাৰ দেশপ্ৰেমৰ আঁৰত থকা দেশদ্ৰোহী মনটো মই সমাজৰ আগত উদঙাই দিম । লগে লগে মই আমাৰ ঘৰৰ ওচৰতে থকা আৰক্ষী চকীলৈ গৈ মোৰ মা-দেউতাৰ হত্যাকাৰী হিচাবে আৰু তেল পাম্পত বিস্ফোৰণ ঘটোৱাৰ বাবে অৰ্ণৱ দুৱৰাৰ বিৰুদ্ধে আজি বহু দিনৰ মুৰত মই গোচৰ ৰুজু কৰিলো । অৰ্ণৱ দুৱৰা বৰ্ত্তমান এজন নামজ্বলা সমাজ সেৱক । পুলিচৰ ডি.এচ.পি. জনে তেওঁৰ বিৰুদ্ধে অভিযোগ পাই প্ৰথমে ওলোটাই মোক ডাবি ধমকি দিছিল। যেতিয়া মই আজিৰ পৰা চৈধ্য বছৰ আগতে মোৰ মা-দেউতাৰ অপহৰণৰ কথা আৰু তেল পাম্পৰ বিস্ফোৰণৰ কথা ক'লো তেতিয়াহে তেওঁ অলপ শান্ত হ'ল । মোৰ হাতত থকা অৰ্ণৱ দুৱৰাৰ বিৰুদ্ধে থকা ৰেকডিং খিনিৰ কথাও তেওঁক ক'লো আৰু দেখুৱালো । ডি.এচ.পি. জনৰ পৰা সঁহাৰি পাই মই অতি আনন্দৰে ঘৰলৈ উভতি আহিলো । আইতাৰ মুখত চুমা খাই মই তেওঁক কথাখিনিৰ বিষয়ে ক'লো । আইতাই মোক বাৰুকৈয়ে সমৰ্থন কৰিলে । খেলনা সামগ্ৰী বুলি ভাবি অতদিনে পুৰণা আলমাৰিটোতে পেলাই থোৱা ম'বাইলটোৱে আজি এজন মুখা পিন্ধা সমাজ সেৱকৰ প্ৰকৃত চৰিত্ৰ সমাজৰ আগত দাঙি ধৰিলে ।

অৰ্ণৱ দুৱৰা তুমি আজি হাৰি গ'লা । জীৱনৰ ৰঙীন দিনবোৰ তুমি আজিৰ পৰা কাৰাগাৰৰ আন্ধাৰ কোঠাত কটাবা । তুমি হাৰি গ'লা অৰ্ণৱ দুৱৰা । মোৰ চাৰি বছৰীয়া শৈশৱ কালতে তুমি যি অগনি জ্বলাইছিলা তোমাৰ চকুলোৱে আজি তাক ধুই নিকা কৰিব ।

***



## বিশিষ্ট গান্ধীবাদী সমাজসেৱিকা
## শ্ৰীমতী লাভেশ্বৰী দাস

বিশিষ্ট গান্ধীবাদী, ভাৰতীয় দলিত সাহিত্য একাডেমীৰ দ্বাৰা বীৰঙ্গনা সাবিত্ৰীবাঈ ফুলে বঁটাৰে সন্মানিত সমাজসেৱিকা, ৰাজ্যিক বঁটাৰে বিভূষীতা অৱসৰপ্ৰাপ্ত কৃতি শিক্ষয়িত্ৰী আৰু বহুটো বিভিন্ন বঁটাৰে সন্মান লাভ কৰা শ্ৰীমতী লাভেশ্বৰী দাসৰ জন্ম হয় ১৯২৮ চনত শুৱালকুছিৰ এটি দুখীয়া পৰিয়ালত। সৰুকালিৰে পৰা স্বাধীনচেতিয়া শ্ৰীমতী দাস মাইনৰ স্কুলত প্ৰৱেশ কৰোতেই মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শত ব্ৰতী হৈ স্বাধীনতা সংগ্ৰামত জপিয়াই পৰে। তেওঁ মনাহকুছিৰ স্বাধীনতা সংগ্ৰামী ৺পুষ্পৰাম দাসৰ সৈতে বিবাহপাশত আবদ্ধ হয়। তেওঁৰ তিনিজন পুত্ৰ আৰু এগৰাকী কন্যা। প্ৰথম পুত্ৰৰ বিয়োগ ঘটিছে। বাকী দুজন পুত্ৰ আৰু কন্যাৰ বিয়াবাৰু কৰাই দিছে। শ্ৰীমতী দাস বৰ্ত্তমান কস্তুৰবা আশ্ৰম নিবাসী হ'লেও পল্টন বজাৰৰ কে চি সেন ৰোডত নিজা বাসস্থান আছে। গুৱাহাটীৰ বহু অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত তেওঁ জৰিত আৰু ৰাজ্যিক মুক্তি যোদ্ধা সন্মিলনৰ উপৰিও অখিল ভাৰতীয় মুক্তি সংগ্ৰাম সমিতিৰ অন্যতম নেত্ৰী। শ্ৰীমতী দাস এগৰাকী ভাল লেখিকাও। তেওঁ "অবুজ বেদনাৰ হিল্লোল" কবিতা পুথি আৰু "মইনাইতলৈ আইতাৰ সাধু" নামৰ দুখন গ্ৰন্থ প্ৰণয়ন কৰিছে। তেওঁৰ দেহটো গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ নামত অৰ্পণ কৰি থৈছে। এই গৰাকী বিদুষী মহিলাৰ দীৰ্ঘায়ু কামনা কৰিলো। -মম

For Best Quality Printing Contact

Medhi Enterprise

9854215286, 8638732821

Visit – www.rongilibarta.com

An Assamese Weekly Newspaper Published from Guwahati

Do follow and like our page at Facebook,
Instagram and Twitter as

“Rongilibarta”